সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা...
Govt. of Assam Approved
Postal Redg. No. GH- 098/ 2015 - 17
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

৩০ বছৰ, ২২সংখ্যা, ১৯জেঠ , ৰবিবাৰ, ১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং - ৫৩৮৮৩ /১৯৯৪
RNI No. 53883/94. GHY--781025. Vol. 30: Issue No. 22 Date Of Publication - 2 June 2024 Rs.10.00/-

## আকৌ এবাৰ মোদী! নিৰ্বাচনৰ এগ্‌জিট প'লৰ মতে বিজেপিয়ে লাভ কৰিব ৩৫০তকৈও অধিক আসন



ৰঙিলী বাৰ্ত্তাসেৱা- দেশৰ ইতিহাসত দ্বিতীয় সৰ্বাধিক দীঘলীয়া লোকসভা নিৰ্বাচনৰ অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণৰ পাছতে ৰাষ্ট্ৰীয় সংবাদ মাধ্যম আৰু প্ৰতিষ্ঠানসমূহে চলোৱা প্ৰাক্-নিৰ্বাচনী ফলাফলৰ সমীক্ষা প্ৰকাশ কৰে। প'ল অৰ এগ্‌জিট প'লত বিজেপি নেতৃত্বাধীন এনডিএই দিল্লীত তৃতীয়বাৰৰ বাবে শাসনৰ গাদীত অধিষ্ঠিত হ'ব। দিল্লী পুনৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰেই। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে একেৰাহে তৃতীয়বাৰৰ বাবে দেশৰ মুৰব্বীৰ আসনত অধিষ্ঠিত হ'ব। যোৱা ১৯ এপ্ৰিলৰ পৰা আৰম্ভ হোৱা ৭ টা পৰ্যায়ত অনুষ্ঠিত লোকসভা নিৰ্বাচনৰ অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ সামৰণি পৰাৰ পাছত দেশৰ বহুকেইটা সংবাদ মাধ্যম আৰু প্ৰতিষ্ঠানে এগ্‌জিট প'ল ঘোষণা কৰে। ৫৪৩খন আসনৰ ভিতৰত এগ্‌জিট প'ল তথা প'ল অৰ প'লছ অনুসৰি বিজেপি নেতৃত্বাধীন এনডিএই ৩৫০তকৈ অধিক আসন লাভ কৰিব। একাংশ সংবাদ মাধ্যমৰ মতে, বিজেপি নেতৃত্বাধীন এনডিএৰ লক্ষ্য ৪০০ অতিক্ৰম কৰাৰ সম্ভাৱনাও আছে। বিজেপিয়ে ৪০০ পাৰ লক্ষ্যত উপনীত হ'বলৈ দুই-এখন আসন কম থাকিলেও এগ্‌জিট প'ল অনুসৰি ৪০০ অতিক্ৰম কৰাটোকো নুই কৰিব নোৱাৰি। বিজেপিয়ে তৃতীয়বাৰৰ বাবে দিল্লীৰ মচনদ দখল কৰাৰ বিপৰীতে কংগ্ৰেছ নেতৃত্বাধীন বিৰোধী ঐক্য ইণ্ডি জোঁটে এইবাৰো শোচনীয় পৰাজয়ৰ সন্মুখীন হয়। এগ্‌জিট প'ল অনুসৰি ইণ্ডি জোঁটে ১১৮ৰ পৰা ২০১খনৰ ভিতৰত আসন লাভ কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ৪০০ আসন অতিক্ৰমৰ লক্ষ্যৰে নিৰ্বাচনী প্ৰচাৰ চলোৱা বিজেপি নেতৃত্বাধীন এনডিএই এইবাৰ নিৰ্বাচনী ফলাফলৰ পূৰ্বানুমান অনুসৰি তামিলনাডু, কেৰালাত প্ৰদৰ্শন উজ্জীৱিত কৰিবলৈ সক্ষম হৈছে। একাংশ সংবাদ সংস্থা আৰু প্ৰতিষ্ঠানৰ মতে, তামিলনাডু আৰু কেৰালাত বিজেপিয়ে এখনতকৈ অধিক আসন লাভ কৰাৰ সম্ভাৱনা আছে। বিজেপিয়ে দক্ষিণৰ ৰাজ্যত ভাল ফল দেখুৱাব নোৱাৰে বুলি ধাৰণা কৰা হৈছিল যদিও এগ্‌জিট প'ল অনুসৰি বিজেপি নেতৃত্বাধীন এনডিএই আশানুৰূপ ফলাফলৰ সম্ভাৱনা উজ্জীৱিত কৰি তুলিছে। ওড়িশা, অন্ধ্ৰপ্ৰদেশ, তেলেংগানা

(দহ পৃষ্ঠাত চাওক)

## বৰাকত বানৰ কালৰূপ

ৰঙিলী বাৰ্ত্তাসেৱা- সামুদ্ৰিক ঘূৰ্ণি ৰেমালৰ প্ৰভাৱত ৰাজ্যত সৃষ্টি হোৱা বান বৰাক উপত্যকাৰ তিনি জিলা কাছাৰ, কৰিমগঞ্জ আৰু হাইলাকান্দিৰ লগতে নগাঁৱৰ কামপুৰৰ পৰিৱেশ জটিল হৈয়ে আছে। কাছাৰত বৰাক নৈয়ে ভয়ংকৰ ৰূপ ধাৰণ কৰাৰ সমান্তৰালভাৱে কৰিমগঞ্জ আৰু হাইলাকান্দিৰ বহু গাঁও এতিয়াও জলমগ্ন হৈ আছে। সেইদৰে



কামপুৰত কপিলী নৈৰ জলপৃষ্ঠ কিছু হ্ৰাস পাইছে যদিও এইবাৰ তাণ্ডৱ সৃষ্টি কৰিছে নিশাৰী নৈয়ে।

(দহ পৃষ্ঠাত চাওক)

## পাক অধিকৃত কাশ্মীৰ পাকিস্তানৰ অংশ নহয়ঃ পাকিস্তান




ৰঙিলী বাৰ্ত্তাসেৱা- পাক অধিকৃত কাশ্মীৰক লৈ এইবাৰ নিজৰ মন্তব্যৰ জৰিয়তেই অস্বস্তিত পৰিল পাকিস্তান। 'অধিকৃত কাশ্মীৰ পাকিস্তানৰ অংশ নহয়'- শেহতীয়াকৈ এক গোচৰত ইছলামাবাদ উচ্চ ন্যায়ালয়ত এই কথা স্বীকাৰ কৰিছে পাক চৰকাৰে। পাক অধিকৃত কাশ্মীৰ ইছুক লৈ ভাৰতৰ ৰাজনীতি যিসময়ত উত্তপ্ত হৈ আছে, সেই সময়তে শ্বেহবাজ শ্বৰীফ চৰকাৰৰ এনে বাৰ্তাই স্বাভাৱিকতেই চাঞ্চল্যৰ সৃষ্টি কৰিছে। অস্বাভাৱিক হাৰত কৰ বৃদ্ধি, মুদ্ৰাস্ফীতিসহ একাধিক বিষয়ত অতিষ্ঠ হৈ পাক চৰকাৰৰ বিৰুদ্ধে ধাৰাবাহিক আন্দোলন চলাই আহিছে পাক

(দহ পৃষ্ঠাত চাওক)

সম্পাদকীয় শিতান.....

## অবৈতনিক বাৰ্তাবাহক

**দেৱাশীষ গোস্বামী, নগাওঁ**

বাৰ্তাবাহক, আমাৰ সমাজৰ সকলোৰে এক অবিচ্ছেদ্য অংগ, বাৰ্তা আদান প্ৰদানৰ বিভিন্ন মাধ্যম অতীজৰে পৰা আমি দেখিবলৈ পাওঁ। বৰ্তমান সময়ত আমাৰ সকলোৰে প্ৰাণতকৈও প্ৰিয় Mobile Phone টোৱেই আমাৰ সমাজৰ মুখ্য বাৰ্তাবাহক। বিভিন্ন বিবৰ্তন তথা বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ বিকাশৰ পৰিণতি আজিৰ আমাৰ জীৱনৰ অবিচ্ছেদ্য অংগ তথা মুখ্য বাৰ্তাবাহক Mobile Phone টো। ইয়াৰ ওপৰিও আৰু কিছু বাৰ্তাবাহক তাকো অবৈতনিক, আমাৰ প্ৰায়বোৰ সমাজতে উৰ্ভৈনদী, কোনো কোনো সময়ত তেওঁলোকৰ বাৰ্তা বহন ক্ষমতা Mobile তকৈও ক্ষিপ্ৰ। এনে সকল বাৰ্তাবাহকে ইঘৰৰ কথা সিঘৰত, এজনৰ কথা আনজনলৈ প্ৰেৰণ কৰি আসুৰিক আনন্দ লাভ কৰে। এনে কাৰ্য্যৰ পৰা কেনেবাকৈ যদি এইসকল বাৰ্তাবাহক বিৰত থাকে, কোনো ধৰণৰ Appetizer য়েও পেটৰ ভাত হজম কৰাব নোৱাৰে। পুৰুষ, মহিলা উভয়ে এনেধৰণৰ অবৈতনিক বাৰ্তা বাহকৰ ৰূপত আমাৰ সমাজত বিৰাজমান। আমি যদি আমাৰ শত্ৰু, বেয়া পোৱা কোনো লোকক যি কোনো ধৰণৰ এটা বাৰ্তা প্ৰেৰণ কৰিব বিচাৰো, আমাৰ সমাজৰ এনে এজন বাৰ্তা বাহকক চিনাক্ত কৰি মাত্ৰ এবাৰ তেওঁৰ আগত ব্যক্ত কৰিলেই হ'ল, বাৰ্তা ক্ষীপ্ৰতাৰে আনজনৰ কাণত কোনোধৰণৰ কষ্ট নকৰাকৈ।

আপোনালোকৰ সমাজত থকা এনেধৰণৰ বাৰ্তা বাহকৰ লগত আছেনে বাৰু পৰিচয় আপোনাৰ।

আপোনালোকৰ লিখনী/মতামত আৰু তথা সমাজৰ উন্নতিৰ হকে থকা চিন্তাবোৰ আমালৈ প্ৰেৰণ কৰিব পাৰে। আপোনাৰ লিখনী/মতামত সমূহ অফলাইন তথা অনলাইন মাধ্যম যোগে প্ৰকাশ কৰা হ'ব। লিখনি সমূহ WhatsApp - 9854215286
Email - rongilibartamedhi@gmail.com যোগে পঠাব পাৰে।
Do follow us on Facebook, Twitter and Instagram as - rongilibarta

# অসম আন্দোলনৰ নেতা মুকুল দাসৰ মৃত্যু



ৰঙিলী বাৰ্ত্তাসেৱা- অসম আন্দোলনৰ নিৰ্যাতিত তথা অবিভক্ত কামৰূপ জিলা ছাত্ৰ সন্থাৰ প্ৰাক্তন ছাত্ৰ নেতা, অগপ দলৰ জ্যেষ্ঠ নেতা, বৰপেটা পৌৰসভাৰ প্ৰাক্তন পৌৰপতি, সমাজ কৰ্মী মুকুল দাস আৰু নাই। বুধবাৰে সন্ধিয়া ৮ঃ৩০ বজাত মুকুল দাসৰ পৰলোকপ্ৰাপ্তি ঘটে। তেওঁ কেইবাদিন ধৰি গুৱাহাটীস্থিত চিকিৎসালয়ত চিকিৎসাধীন হৈ আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬৫ বছৰ। প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত আৰু মন্ত্ৰী প্ৰয়াত ভৃগু কুমাৰ ফুকনৰ সৈতে একেলগে অসম আন্দোলনৰ নেতৃত্ব দিছিল মুকুল দাসে। লগতে দৈনিক অসম কাকতৰ বৰ্তমানৰ সম্পাদক ড° হিতেশ ডেকা অবিভক্ত কামৰূপ জিলা ছাত্ৰ সন্থাৰ সভাপতি হৈ থাকোঁতে সাধাৰণ সম্পাদকৰ গুৰু দায়িত্ব পালন কৰিছিল মুকুল দাসে। আনহাতে অতুল বৰা, কেশৱ মহন্তই সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি, সাধাৰণ (দহ পৃষ্ঠাত চাওক)

# ধেমাজিত দিন দুপৰতে ডকাইতিৰ ঘটনা



ৰঙিলী বাৰ্ত্তাসেৱা- ধেমাজি নগৰৰ মাজমজিয়াত সংঘটিত হৈছে দিন ডকাইতিৰ ঘটনা। ধেমাজি চাৰিআলিস্থিত জিলা পশু চিকিৎসা বিষয়াৰ কাৰ্যালয়ৰ সন্মুখৰ পৰা গাড়ীৰ গ্লাছ ভাঙি কোনো দুৰ্বৃত্তই লুটি লৈ গ'ল ৪ লাখ ৬০ হাজাৰ টকা। এই ঘটনাই ধেমাজি নগৰখনত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। উল্লেখ্য যে ধেমাজিৰ প্ৰাণদ্বীপ ভূঞা নামৰ যুবক জনে ধেমাজিৰ এচ বি আই বেংকত টকাখিনি জমা দিবলৈ আহিছিল। যুৱকজনে অলপ সময়ৰ বাবে গাড়ীখন ৰাখি বজাৰ কৰিবলৈ যাওঁতেই এটি ৩ জনীয়া দুৰ্বৃত্ত দলে গাড়ীৰ গ্লাছ ভাঙি ধন লৈ উধাও হয়। ইতিমধ্যে আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। আৰক্ষীয়ে সমীপৰ দোকানৰ পৰা চিচি টিভিৰ ফোটেজ সংগ্ৰহ কৰিছে যদিও এতিয়ালৈকে ডকাইতৰ দলটোৰ কোনো শুংসূত্ৰ উলিয়াব পৰা নাই ।

# বিলাসীপাৰাত প্ৰচণ্ড ধুমুহা বতাহত প্ৰাণ গল আন এগৰাকী ছাত্ৰৰ



ৰঙিলী বাৰ্ত্তাসেৱা- বিলাসীপাৰাত প্ৰচণ্ড ধুমুহাৰ ফলত পথতে বাগৰি পৰিল শিক্ষাৰ্থী কঢ়িয়াই অনা এখন টেম্পো। এই দুৰ্ঘটনাত থিতাতে মৃত্যু হৈ শংকৰদেৱ শিশু- বিদ্যা নিকেতনৰ এজন কণমানি ছাত্ৰৰ। মাতৃৰ সৈতে বিদ্যালয়লৈ গৈ থকাৰ সময়তে ভয়ংকৰ দুৰ্ঘটনাত মৃত্যু হৈ ছাত্ৰজনৰ। মৃত ছাত্ৰজন প্ৰথম শ্ৰেণীৰ শুভংকৰ বৰ্মন। দুৰ্ঘটনাত আহত হৈ আন চাৰিজন শিক্ষাৰ্থীৰ লগতে শুভংকৰ বৰ্মনৰ মাতৃও। মাতৃৰ অৱস্থা সংকটজনক বুলি জানিব পৰা গৈছে। মৃত শুভংকৰ বৰ্মনৰ ঘৰ বিলাসীপাৰাৰ জমদুৱাৰ গাঁৱত বুলি জানিব পৰা গৈছে। আহতসকলক ভৰ্তি কৰোৱা হৈছে হাস্পতালত।

# ৰাজ্যবাসীক দুৰ্যোগত এৰি থৈ প্ৰমোদ ভ্ৰমণত ব্যস্ত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা




ৰঙিলী বাৰ্ত্তাসেৱা- "শেহতীয়াভাৱে সমগ্ৰ ৰাজ্যখনেই প্ৰাকৃতিক দুৰ্যোগৰ কবলত পৰিছে। ৰিমল ঘূৰ্ণীবতাহৰ প্ৰভাৱত পৰা গুৱাহাটী মহানগৰীৰ লালগনেশৰ পাহাৰীয়া অঞ্চলত ভূমিস্থলনৰ ফলত এটি তিনিবছৰীয়া শিশুৰ মৃত্যু আৰু ছয়গাঁৱৰ সাপৰটাবীত ধুমুহাত গছ ভাঙি পৰাৰ ফলত ললিত দাস নামৰ এজন লোকৰ মৃত্যু হয়। ৰাজ্য চৰকাৰে বৰ্তমানলৈকে এই পৰিয়াল সমূহলৈ কোনো ধৰণৰ সহায় - সাহায্য আগবঢ়োৱা নাই। তদুপৰি ৰাজ্যজুৰি ধুমুহা বিপৰ্যয়ৰ লগে লগেই ৯ খন জিলাৰ ৪ শতাধিক গাওঁ বানৰ কবলত পৰিছে। হাইলাকান্দিত বানপানীত প্ৰাণ হেৰুৱাইছে লোকে। এই সময়ত ৰাজ্যৰ বাহিৰত প্ৰমোদ ভ্ৰমণত ব্যস্ত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা। এয়া এখন ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ চৰম দায়িত্ব জ্ঞানহীনতা। আম আদমী পাৰ্টিয়ে বান তথা প্ৰাকৃতিক দুৰ্যোগত ক্ষতিগ্ৰস্ত লোকৰ পৰিয়াললৈ পৰ্যাপ্ত সাহায্য প্ৰদানৰ দাবী জনাওঁ।" গণেশগুৰিস্থিত আপ (দহ পৃষ্ঠাত চাওক)

# ঢেকিয়াজুলিত স্কুল বাছৰ ওপৰত বাগৰি পৰিল প্ৰকাণ্ড গছ



ৰঙিলী বাৰ্ত্তাসেৱা- ঢেকিয়াজুলিত সংঘটিত হৈছে এক ভয়ংকৰ ঘটনা। বিগত দুদিন ধৰি ৰাজ্যজুৰি ধুমুহা-বৰষুণৰ তাণ্ডৱ অব্যাহত থকাৰ সময়তে ঢেকিয়াজুলিত স্কুলীয়া ছাত্ৰ-ছাত্ৰী কঢ়িয়াই অনা বাছৰ ওপৰত পৰিল প্ৰকাণ্ড গছ। ঢেকিয়াজুলিৰ চেন্ট উৰচলা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰৱেশদ্বাৰত সংঘটিত হৈ এই ঘটনা।এই দুৰ্ঘটনাত কেবাগৰাকী ছাত্ৰ-ছাত্ৰী আঘাতপ্ৰাপ্ত হয় । আহত ছাত্ৰ-ছাত্ৰীকেইজনক ঢেকিয়াজুলি মনবৰ নাথ সামূহিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈছে বুলি জানিব পৰা গৈছে।

# মৰিগাঁৱত বতাহ-ধুমুহাত গছ বাগৰি এজন ছাত্ৰৰ মৃত্যু



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যজুৰি অব্যাহত আছে ঘূৰ্ণি বতাহ ৰেমালৰ তাণ্ডৱ। পশ্চিম বংগৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত ৰেমালে বিস্তৰ ক্ষতিসাধন কৰিছে। মৰিগাঁৱত সংঘটিত হৈছে এক শোকাবহ ঘটনা। মৰিগাঁৱত বতাহ-ধুমুহাত গছ বাগৰি পৰি এজন ছাত্ৰৰ মৃত্যু হৈছে। কলেজলৈ গৈ থকা অৱস্থাত প্ৰকাণ্ড গছ পৰি মৃত্যু হয় এজন ছাত্ৰৰ। মৰিগাঁৱৰ দীঘলবড়ীত চলন্ত অটো এখনৰ ওপৰত গছডাল বাগৰি পৰাৰ ফলত কৌশিক আমফি নামৰ ছাত্ৰজন থিতাতে নিহত হয় । মৰিগাঁও গুৰুকূল একাডেমীত একাদশ শ্ৰেণীৰ বাণিজ্য শাখাৰ ছাত্ৰ আছিল কৌশিক আমফি। কৌশিক আমফিৰ ঘৰ লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত ধুপগুৰি গাঁৱত ।

# লালগণেশত ভূমিস্খলনত শিশুৰ মৃত্যু



ৰঙিলী বাৰ্ত্তাসেৱা- ৰীমালৰ প্ৰভাৱত গুৱাহাটীত অহা ধুমুহা, বৰষুণৰ ফলত সৃষ্টি হোৱা প্ৰাকৃতিক দুৰ্যোগৰ অৱসান এতিয়াও হোৱা নাই। লালগণেশত সংঘটিত হোৱা এক ভূমিস্খলনৰ ঘটনাত এটি শিশুৰ করুণ মৃত্যু হৈছে। লালগণেশৰ কৃষ্ণনগৰত এই ঘটনা সংঘটিত হৈছে। জানিব পৰা মতে শিশুটি শুই থকাৰ সময়ত ঘৰৰ ওপৰত বাগৰি পৰে গাৰ্ড ৱাল। আনহাতে আহত হৈছে শিশুটিৰ মাতৃও। দিলীপ দাস নামৰ ব্যক্তিজনৰ ঘৰত সংঘটিত হোৱা এই ঘটনাই এতিয়া অঞ্চলটোত চাঞ্চল্যৰ সমান্তৰালকৈ শোকৰ ছাঁ পেলাইছে।

# ডিব্ৰুগড়ত বিশ্ব ঋতুস্ৰাৱজনিত স্বচ্ছতা দিৱস উপলক্ষে কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ত সজাগতা সভা

ৰঙিলী বাৰ্ত্তাসেৱা- বিশ্ব ঋতুস্ৰাৱজনিত স্বচ্ছতা দিৱস উপলক্ষে ডিব্ৰুগড়ৰ লাহোৱাল আৰু পানীতোলাস্থিত কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ত ডিব্ৰুগড় জিলা প্ৰশাসন, শিক্ষা বিভাগৰ সহযোগত আৰু মহিলা আৰু শিশু উন্নয়ন বিভাগৰ "জিলা সংকল্পঃ মহিলা সৱলীকৰণৰ কেন্দ্ৰ"ৰ উদ্যোগত দুয়োখন বিদ্যালয়ৰে ছাত্ৰীসকলৰ মাজত সজাগতা কাৰ্য্যসূচী অনুষ্ঠিত হয়। এই সজাগতা কাৰ্যসূচীত সমল ব্যক্তি হিচাপে উপস্থিত থাকে ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় ও চিকিৎসালয়ৰ পৰামৰ্শদাতা নছিফা খাতুন। সমল ব্যক্তিগৰাকীয়ে ঋতুস্ৰাৱৰ লগত জড়িত বিভিন্ন বিষয় যেনে ঋতুস্ৰাৱৰ দিনবোৰত কেনেদৰে পৰিষ্কাৰ-পৰিচ্ছন্নকৈ থাকিব লাগে, উক্ত দিনকেইটাত পুষ্টিকৰ খাদ্যৰ ওপৰত গুৰুত্ব দিয়াৰ লগতে সন্তুলিত আহাৰ খোৱা, ঋতুস্ৰাৱৰ সময়ত ছোৱালী তথা মহিলাসকলে সন্মুখীন হোৱা বিভিন্ন সমস্যা আৰু এই সমস্যাসমূহ কেনেদৰে দূৰ কৰিব লাগে, সঠিকভাৱে চেনিটাৰী নেপকিন ব্যৱহাৰ কৰা আদি বিষয়ৰ ওপৰত বিষদভাৱে আলোকপাত কৰে। এই সজাগতা কাৰ্যসূচীত মুঠ ২০৭ জন শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে।



# জনসংখ্যা সমাধান ফাউণ্ডেচনৰ ৰাষ্ট্ৰীয় দলৰ উত্তৰ পুৰ্বাঞ্চল ভ্ৰমণ



ৰঙিলী বাৰ্ত্তাসেৱা- জনবিস্ফোৰণ আৰু অসন্তোলিত জনগাঠঁনি বৃদ্ধিৰ ভয়াবহতাৰ প্ৰতি লক্ষ্য ৰাখি দেশত শিঘ্ৰে এখন কঠোৰ জনসংখ্যা নিয়ন্ত্ৰণ আইনৰ প্ৰণয়ন আৰু ৰূপায়ণৰ দাবীত জনসংখ্যা সমাধান ফাউণ্ডেচনে (জেএছএফ) যোৱা ১১ বছৰে কৰি অহা আন্দোলনৰ প্ৰতি সঁহাৰি জনাই কেন্দ্ৰৰ মোদী চৰকাৰে বিষয়টোৰ ওপৰত প্ৰতিবেদন প্ৰস্তুত কৰিবলৈ নতুন চৰকাৰ গঠন হোৱাৰ ছয় মাহৰ ভিতৰত এখন উচ্চস্তৰীয় সমিতি গঠন কৰিব বুলি সন্মতি প্ৰদান কৰে। সংশ্লিষ্ট আইন খন ৰূপায়ণ নোহোৱা পৰ্যন্ত জনসংখ্যা আন্দোলন যাতে পুৰ্ণ গতিত ধাৰাবাহিক ভাবে চলি থাকে, তাৰ বাবে দেশৰ সমূহ প্ৰদেশ আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত জনজাগৰণ সৃষ্টি কাৰ্যসূচী গ্ৰহণ আৰু সাংগঠিনিক শক্তিৰ বৃদ্ধিৰ উদ্দেশ্য লৈ, জেএছএফৰ ৰাষ্ট্ৰীয় সভাপতিৰ নেতৃত্বত এটি দলে ২৪ জুন তাৰিখৰ পৰা উত্তৰ পুৰ্বাঞ্চলৰ প্ৰতিখন ৰাজ্য যথাক্ৰমে ছিকিম, অসম, অৰুণাচল, নগালেণ্ড, মেঘালয়, মিজোৰাম আৰু ত্ৰিপুৰা ভ্ৰমণ কৰি ২ জুলাই তাৰিখে দিল্লীলৈ উভতি যাব। ৰাষ্ট্ৰীয় দলটোৰ ১০ দিনীয়া ভ্ৰমণ সূচীৰ সমন্বয় আৰু তদাৰকৰ দায়িত্বত আছে জেএছএফৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক তথা উত্তৰ পুৰ্বাঞ্চলৰ মুৰব্বী হৰেন্দ্ৰ বৰা আৰু মহিলা শক্তিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদিকা তথা উত্তৰ পুৰ্বাঞ্চলৰ আহবায়িকা শ্ৰীমতী ৰঞ্জিতা ৰাজ। দেশৰ ঐক্যতা, অখণ্ডতা, শান্তি আৰু প্ৰগতিৰ বাবে সমৰ্পিত জেএছএফৰ ৰাষ্ট্ৰীয় প্ৰতিনিধি দলটোৰে উত্তৰ পুৰ্বাঞ্চলৰ ৰাইজৰ সমৰ্থন আশা কৰিছে।

# কামৰূপ মহানগৰ জিলাত ভোটগণনাত নিয়োজিত বিষয়া-কৰ্মচাৰীৰ প্ৰশিক্ষণ



ৰঙিলী বাৰ্ত্তাসেৱা- যোৱা ৭ মে'ত অনুষ্ঠিত হৈ যোৱা গুৱাহাটী লোকসভা সমষ্টিৰ নিৰ্বাচনৰ ভোটগণনা অহা ৪ জুনত কৰা হ'ব। কামৰূপ মহানগৰ নিৰ্বাচনী জিলাৰ ভোট গণনা প্ৰক্ৰিয়া গুৱাহাটীৰ মণিৰাম দেৱান ট্ৰেড চেণ্টাৰত অনুষ্ঠিত হ'ব। উক্ত ভোট গণনা প্ৰক্ৰিয়াত জড়িত সকলো পৰ্যায়ৰ বিষয়া-কৰ্মচাৰীৰ প্ৰশিক্ষণ দিছপুৰস্থিত লোকনিৰ্মাণ বিভাগৰ সন্মিলন আৰু প্ৰশিক্ষণ কেন্দ্ৰত অনুষ্ঠিত হৈছে। গণনা তত্বাৱধায়ক, গণনা সহায়ক, মাইক্ৰ অব্জাৰভাৰ, পোষ্টেল বেলট গণনাত নিয়োজিত বিষয়া-কৰ্মচাৰী, টেবুলেচন আৰু কম্পাইলচনত জড়িত সকলক প্ৰশিক্ষণ প্ৰদানৰ ব্যৱস্থা কৰা হৈছে।

# ব্ৰহ্মপুত্ৰত নিখোজ চিন্ময় পাঠকৰ মৃতদেহ উদ্ধাৰ

ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটীৰ পানীখাইতিৰ তামোলবাৰীত ব্ৰহ্মপুত্ৰ নদীত গা ধুবলৈ আহি নিখোজ হোৱা এজন যুবকৰ মৃতদেহ এছ ডি আৰ এফে উদ্ধাৰ কৰে । সোমবাৰে পুৱাৰ ভাগত এছ ডি আৰ এফে ব্ৰহ্মপুত্ৰ নদীত অভিযান চলাই নাৰেংগী ফৰেষ্টগেট অঞ্চলৰ চিন্ময় পাঠক(১৯) নামৰ যুবকজনৰ মৃতদেহ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে দেওবাৰে দিনৰ




প্ৰায় ২.৩০ বজাত নাৰেংগী ফৰেষ্টগেট, পাথৰকুৰেৰী অঞ্চলৰ ১০জনীয়া যুৱকৰ দল এটাই প্ৰথমে খামৰেঙা বিলত উপস্থিত হৈছিল। তাত কিছু সময় কটোৱাৰ পিচত পানীখাইতিৰ তামোলবাৰীৰ ব্ৰহ্মপুত্ৰৰ পাৰত উপস্থিত হয়। ইয়াৰে চাৰিজন যুৱকে উৎকট গৰমৰ বাবে ব্ৰহ্মপুত্ৰত গা ধুবলৈ নামে। কিন্তু ব্ৰহ্মপুত্ৰৰ কোবাল সোঁতত চাৰিজন ডুব যায় যদিও ইয়াৰে এজনে কোনোমতে সাঁতুৰি পাৰলৈ আহে। আনহাতে আন এজন যুৱকক স্থানীয় লোকে উদ্ধাৰ কৰে। কিন্তু চিন্ময় পাঠক আৰু অৰ্জুন নাথ নামৰ যুৱক দুজনক উদ্ধাৰ কৰিব পৰা নগ'ল।

# 'সাহস'ৰ উদ্যোগত মাজুলীত 'বিশ্ব ঋতুস্ৰাৱ স্বচ্ছতা দিৱস' পালন



ৰঙিলী বাৰ্ত্তাসেৱা- 'সাহস'(এনজিঅ')ৰ উদ্যোগত 'সতৰা' আৰু "হৰিশ আৰু বিনা শ্বাহ ফাউণ্ডেশ্যনৰ' সহযোগত গড়মূৰ আৰক্ষী থানাত "বিশ্ব ঋতুস্ৰাৱ স্বচ্ছতা দিৱস- ২০২৪" পালন কৰা হয় । প্ৰকল্প সমন্বয়ক মৃদুভূষণ কটকীয়ে কাৰ্যসূচীৰ আঁত ধৰাৰ লগতে 'সাহস'ৰ সদস্য সকলৰ চমু পৰিচয় দাঙি ধৰে। ইয়াৰ পিছত উপস্থিত মহিলা আৰক্ষী বিষয়া সকলক উদ্দেশ্যি, প্ৰকল্প সমন্বয়ক (Project Coordinator) স্পৃহা গায়নে 'ঋতুস্ৰাৱ স্বচ্ছতা দিৱসৰ' বিশ্বব্যাপী গুৰুত্ব আৰু নাৰী স্বাস্থ্যৰ সজাগতা বৃদ্ধিৰ প্ৰয়োজনীয়তাৰ ওপৰত বাখ্যা দাঙি ধৰে। চেনীটেৰি পেডৰ স্বাস্থ্যজনিত প্ৰভাৱ আৰু (দহ পৃষ্ঠাত চাওক)

# আইজলত সংঘটিত হৈছে এক ভয়ংকৰ ঘটনা



ৰঙিলী বাৰ্ত্তাসেৱা- ঘূৰ্ণিবতাহ ৰেমালৰ প্ৰভাৱত নেৰানেপেৰা বৰষুণৰ মাজতে মিজোৰামৰ আইজল জিলাত এক ভয়ংকৰ ঘটনা সংঘটিত হয়। পাহাৰৰ পৰা শিলৰ কুৰেৰী খহি পৰি ১০জন শ্ৰমিকৰ মৃত্যু হোৱাৰ লগতে কেইবাজনো লোক নিৰুদ্দেশ হোৱা বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে। মঙলবাৰে পুৱা অঞ্চলটোত অবিৰত বৰষুণৰ মাজতে এই দুৰ্ঘটনা সংঘটিত হয়। আৰক্ষীয়ে জনোৱা মতে, আইজল চহৰৰ দক্ষিণ উপকণ্ঠ অঞ্চলত অৱস্থিত মেলথাম আৰু হ্লিমেনৰ মাজৰ অঞ্চলত পুৱা প্ৰায় ৬ বজাত সংঘটিত হয় এই ঘটনা। আৰক্ষী গৰাকী বিষয়াই জনোৱা মতে, কেইবাটাও মৃতদেহ উদ্ধাৰ কৰাৰ বিপৰীতে আন বহু লোক ধ্বংসাৱশেষৰ তলত আবদ্ধ হৈ আছে। ধাৰাসাৰ বৰষুণৰ ফলত উদ্ধাৰৰ অভিযান ক্ষতিগ্ৰস্ত হৈছে বুলি জানিবলৈ দিছে।

# অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ অৱস্থান ধৰ্মঘট



ৰঙিলী বাৰ্তাসেৱা- গুৱাহাটী শিলপুখুৰী পাৰ উদ্যানৰ সমুখত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কামৰূপ মহানগৰ জিলা সমিতিৰ উদ্যোগত তথা উক্ত মহানগৰৰ সমিতিৰ সভাপতি সঞ্জীৱ ৰায় চৌধুৰী আৰু সাধাৰণ সম্পাদক সুকুমাৰ বৰ্মন আদিৰ নেতৃত্বত প্ৰায় ৪০ জন মান সদস্য-সদস্যায়ে অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধ কৰাৰ দাবীত হাতে হাতে বিভিন্ন বেনাৰ-পোষ্টাৰ প্ৰদৰ্শন কৰি যোগানমন্ত্ৰীক ধিক্কাৰ দি অৱস্থান ধৰ্মঘট প্ৰতিবাদ কাৰ্যসূচী ৰূপায়ণ কৰে। তেওঁলোকে যোগানমন্ত্ৰী গৰাকীক নৈতিক দায়িত্ব স্বীকাৰ কৰি অনতি পলমে পদত্যাগ দাবী কৰে। অন্যথা অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদে ইয়াতকৈ ডাঙৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিব বুলি হুংকাৰ দিয়ে। এখন দাবী সম্বলিত স্মাৰকপত্ৰ প্ৰদান কৰে অসমৰ মুখ্যমন্ত্ৰীলৈ উদ্দেশ্যি কামৰূপ মহানগৰৰ জিলা আয়ুক্তৰ মহোদয়ৰ জৰিয়তে। উক্ত স্মাৰকপত্ৰখন উক্ত স্থানৰ পৰা গ্ৰহণ কৰে পানবজাৰৰ এচিপিয়ে। স্মাৰকপত্ৰ প্ৰদানৰ অন্তত প্ৰতিবাদকাৰী সকলে স্থান ত্যাগ কৰে।

# দৰঙত জিলা উন্নয়ন সমিতিৰ সভা



ৰঙিলী বাৰ্তাসেৱা- দৰঙৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাগৃহত জিলা উন্নয়ন সমিতিৰ সভা অনুষ্ঠিত হয়। জিলা আয়ুক্ত মুনীন্দ্ৰ নাথ ঙাটেৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত স্বাস্থ্য, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, সমাজ কল্যাণ, লোকনিৰ্মাণ, কৃষি, জনস্বাস্থ্য কাৰিকৰী, পশুপালন আদি বিভাগসমূহত ৰূপায়ণ হৈ থকা জনকল্যাণমূলক আঁচনিসমূহ আৰু বিভিন্ন কাম-কাজৰ বিষয়ে বিস্তৃতভাৱে পৰ্যালোচনা কৰা হয়। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ কাম-কাজৰ পৰ্যালোচনাত আধাৰ পঞ্জীয়ন, এম জি এনৰেগা, প্ৰধানমন্ত্ৰীৰ আৱাস যোজনা, আৱাস প্লাছ আদি বিভিন্ন বিষয়ে গুৰুত্ব লাভ কৰে। স্বাস্থ্য বিভাগৰ পৰ্যালোচনাত নৱজাতকৰ মৃত্যুৰ হাৰ আৰু প্ৰসূতিৰ মৃত্যুৰ হাৰ হ্ৰাস, যক্ষ্মা ৰোগ প্ৰতিৰোধ আদি বিষয়ত গুৰুত্ব প্ৰদান কৰা হয়। লোক নিৰ্মাণ বিভাগে জিলাখনত নিৰ্মীয়মান অৱস্থাত থকা আদৰ্শ বিদ্যালয়, আদৰ্শ মহাবিদ্যালয়, মহাপ্ৰভু জগন্নাথ সমূহীয়া ভৱন আৰু দক্ষতা কেন্দ্ৰ আদি বিভিন্ন কামৰ অগ্ৰগতিৰ খতিয়ান দাঙি ধৰে। সমাজ কল্যাণ বিভাগে পাৱাৰপইন্ট প্ৰেজেনটেশ্বনৰ জৰিয়তে আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ, মিছন শক্তি, প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনা, ৱান ষ্টপ চেন্টাৰ আদিৰ বিষয়ে অৱগত কৰে। জিলা আয়ুক্তই দৰঙত তৃতীয় লিংগৰ লোকসকলৰ বাবে আশ্ৰয়স্থলৰ সু-ব্যৱস্থাৰ লগতে শীঘ্ৰেই তেওঁলোকৰ কাৰণে উপযুক্ত বৃত্তিমূলক *(দহ পৃষ্ঠাত চাওক)*

# এক্সিটপল প্ৰচাৰ কৰাত আৰোপ কৰিছে নিষেধাজ্ঞা

ৰঙিলী বাৰ্তাসেৱা- ভাৰতৰ নিৰ্বাচন আয়োগে যোৱা ২৮ মাৰ্চ, ২০২৪ তাৰিখে এখন অধিসূচনা জাৰি কৰি জনপ্ৰতিনিধিত্ব আইন, ১৯৫১ অনুসৰি ছপা, বৈদ্যুতিন বা কোনো প্ৰচাৰ মাধ্যমতে লোক সভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ আৰম্ভ হোৱাৰে পৰা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ অন্ত পৰাৰ আধা ঘণ্টা পিছলৈকে 'এক্সিট প'ল' প্ৰকাশ বা প্ৰচাৰ কৰাত নিষেধাজ্ঞা আৰোপ কৰিছে। সেই অনুসৰি অহা ১ জুনৰ সন্ধিয়া ৬.৩০ বজাৰ পূৰ্বে কোনো প্ৰচাৰ মাধ্যমে 'এক্সিট প'ল' প্ৰচাৰ বা প্ৰকাশ কৰিব নোৱাৰিব। এই নিষেধাজ্ঞা ভংগ কৰিলে জৰিমনা বা দুবছৰ পৰ্যন্ত কাৰাবাস বা দুয়োটা শাস্তি বিহা হ'ব বুলি জনপ্ৰতিনিধিত্ব আইনত উল্লেখ আছে। সকলো সংবাদ মাধ্যমকে জনপ্ৰতিনিধিত্ব আইন, ১৯৫১ৰ এই ধাৰা মানি চলিবলৈ আহ্বান জনোৱা হৈছে।

# এবিটা আৰু ইউনিচেফৰ উদ্যোগত ডিকম চাহ বাগিচাত বাটৰ নাটৰ কৰ্মশালা সম্পন্ন



ৰঙিলী বাৰ্তাসেৱা- ডিব্ৰুগড় জিলাৰ ডিকম চাহ বাগিচাৰ এজাক কিশোৰ কিশোৰীৰ মাজত অনুষ্ঠিত ১৫ দিনীয়া নাট কৰ্মশালাৰ ২৮তাৰিখে সফল সামৰণি পৰে। এবিটা জ'নৰ আৰু ইউনিচেফৰ যুটীয়া উদ্যোগত যোৱা ১০ মে' তাৰিখৰ পৰা অনুষ্ঠিত এই নাট কৰ্মশালা খনি পৰিচালনা কৰে নাট্যকৰ্মী বিষ্ণু গোহাঁয়ে। উল্লেখ্য যে সমাজত একাংশ লোকৰ মাজত আজিও প্ৰচলিত কিছু পুৰণা ধ্যান ধাৰণা যেনে লিংগ বৈষম্য, নাৰী পুৰুষৰ মাজত ভেদাভেদ আদিৰ লগতে নাৰী নিৰ্যাতন, সামাজিক ব্যাধি, শিশু শ্ৰমিক ব্যৱহাৰ আদিৰ বিৰুদ্ধে চাহ বাগিচা অঞ্চলত সজাগতা সৃষ্টি কৰাই আছিল নাট কৰ্মশালা খনিৰ মূল উপজীব্য। সামৰণি অনুষ্ঠানত প্ৰশিক্ষণ প্ৰাপ্ত কিশোৰ কিশোৰী সকলে দুখনকৈ বাটৰ নাট প্ৰদৰ্শন কৰি উপস্থিত দৰ্শকক আপ্লুত কৰে। অনুষ্ঠানত উপস্থিত থাকে বাগিচাৰ জ্যেষ্ঠ প্ৰবন্ধক সমৰজিৎ চলিহা, উপ প্ৰবন্ধক ঋষিৰাজ ভৰালী আৰু কল্যাণ বিষয়া পিকু কোঁৱৰ। আনহাতে, এবিটা -ইউনিচেফৰ হৈ অনুষ্ঠানত উপস্থিত থাকে শিশু সুৰক্ষা বিভাগৰ কাৰিকৰী পৰামৰ্শদাতা তিলোমণি গগৈ, চাৰ্কোল ক'অৰ্ডিনেটৰ উৰ্মিলা গগৈ আৰু বাগিচাৰ সমন্বয়ক পৰিণীতা দত্ত।

# ডিব্ৰুগড়ত ছাত্ৰ ছাত্ৰীৰ পাঠ্যপুথি যোগানৰ দাবীত বিক্ষোভ সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ




ৰঙিলী বাৰ্তাসেৱা- ছাত্ৰ ছাত্ৰীৰ অনিয়মীয়া পাঠ্য পুথি যোগানৰ প্ৰতিবাদত আৰু অতি শীঘ্ৰেই পাঠ্যপুথি যোগানৰ দাবীত ২৮ তাৰিখে সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানত ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ উদ্যোগত প্ৰতিবাদী বিক্ষোভ অনুষ্ঠিত হয় ডিব্ৰুগড়ৰ বিদ্যালয় সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয় সন্মুখত। নতুন শিক্ষা বৰ্ষৰ দুমাহ অতিক্ৰম কৰাৰ পাছতো ছাত্ৰ ছাত্ৰীক পাঠ্যপুথি যোগান ধৰাত শিক্ষা বিভাগ ব্যৰ্থ হৈছে। শিক্ষা বিভাগৰ অসম ৰাজিক পাঠ্যপুথি প্ৰনয়ন আৰু প্ৰকাশন নিগম লিমিটেডে এতিয়ালৈকে পাঠ্যপুথি প্ৰস্তুত আৰু ছপা কৰিব পৰা নাই। এইয়া ৰাজ্যৰ শিক্ষা ব্যৱস্থাৰ বাবে দুৰ্ভাগ্যজনক । অনভিজ্ঞ প্ৰতিষ্ঠানক পাঠ্যপুথি ছপাৰ নিবিদা প্ৰদান কৰি ছাত্ৰ ছাত্ৰীৰ শৈক্ষিক জীৱনক লৈ হেতালি খেলিছে। শিক্ষা বিভাগৰ এনে কাণ্ড জ্ঞানহীনতাৰ বাবে ছাত্ৰ ছাত্ৰীয়ে জীয়াতু ভুগিব লগীয়া হৈছে। নতুন শিক্ষানীতি ৰূপায়নৰ ক্ষেত্ৰত দেশৰ ভিতৰতে অসম প্ৰথম বুলি শিক্ষামন্ত্ৰীয়ে গৌৰৱ কৰি থকা শিক্ষা বিভাগত ছাত্ৰ ছাত্ৰীয়ে পাঠ্যপুথি অবিহনে কেনেদৰে শিক্ষা গ্ৰহণ কৰিছে তাৰ প্ৰতি অসম চৰকাৰৰ শিক্ষা বিভাগে কোনো গুৰুত্ব প্ৰদান কৰা দেখা নাই বুলি অভিযোগ কৰে সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাই। তেওঁলোকে অসম চৰকাৰ হায় হায়, শিক্ষামন্ত্ৰী মুৰ্দাবাদ, অসম চৰকাৰ লেইলেই চেই চেই আদি বিভিন্ন শ্লোগান দি উত্তাল কৰি তোলে। এই বিক্ষোভ কাৰ্যসূচীৰ যোগেদি অতি শীঘ্ৰেই ছাত্ৰ ছাত্ৰীৰ মাজত বিনামূলীয়া পাঠ্যপুঠি যোগানৰ দাবী জনায় ডিব্ৰুগড় জিলাৰ ছাত্ৰ সন্থাই।

# পথভ্ৰষ্ট



**সংযুক্তা দত্ত**

নিবিৰ আৰু প্ৰজ্ঞান দুয়ো ভাল বন্ধু। সৰুৰে পৰাই একেখন বিদ্যালয়তে দুয়ো পঢ়াশুনা কৰিছে দুয়ো পঢ়াত মেধাৱী আছিল। দুয়ো বন্ধুৰ মাজত যথেষ্ট মিলা-প্ৰীতি আছিল। দুয়ো মিল আছিল যদিও দুয়ো বন্ধুৰ ব্যক্তিত্ব একেবাৰে অমিল আছিল। প্ৰজ্ঞান আছিল ধীৰ-স্থিৰ এটা ল'ৰা সি সহজতে উটি-ভাঁহি যোৱাৰ বিধৰ নাছিল। আৰু নিবিৰ আছিল অলপ চঞ্চল। সি সহজতে বিচলিত হৈ পৰে। আজি দিনতো দুয়ো বন্ধুৰ কাৰণে বিশেষ দিন। কাৰণ আজিৰ পৰাই নিবিৰ আৰু প্ৰজ্ঞানৰ লক্ষ্য বেলেগ বেলেগ হ'ব। সৰুৰে পৰা একেলগে পঢ়া দুয়ো বন্ধুয়ে আজিৰ পৰা দুটা বেলেগ ৰাস্তাত খোজ ল'ব। অৰ্থাৎ আজি হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰিব। ইতিমধ্যই ফলাফল ঘোষণা হৈছে - চাৰিফালে এটা হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হৈছে। সকলোৰে হিচাপ কেৱল কোনো কিমান শতাংশ লৈ উত্তীৰ্ণ হৈছে। প্ৰজ্ঞানে ৯১ শতাংশ লৈ পৰীক্ষাত উত্তীৰ্ণ হ'ল। প্ৰজ্ঞানে সি ভবাৰ দৰেই সি তাৰ ফলাফল পাইছে। ইফালে নিবিৰৰ ফলাফল সি ভবাৰ দৰে নহ'ল। তাৰ ৰিজাল্ট বেয়া হ'ল। চাৰিওফালে এই খবৰটো বিয়পি পৰিল। নিবিৰ ইতিমধ্যে বিচলিত হৈ পৰিছে। কিছুমান মানুহে আহি নিবিৰক সহানুভূতি দিলে। আৰু আন কিছুমানে নিবিৰক লৈ ইছ-ইছ- আছ-আছ কৈ দুখ প্ৰকাশ কৰিলে। তেনেকুৱাতে প্ৰজ্ঞান আহিল নিবিৰৰ ওচৰলৈ নিবিৰৰ সাহস হৈ। প্ৰজ্ঞানে জানে যে সি তাৰ চঞ্চলামিতাৰ বাবেই তাৰ ৰিজাল্ট ভাল নহ'ল। প্ৰজ্ঞানে ক'লে বন্ধু তুমি চিন্তা নকৰিবা তুমি পাৰিবা তুমি আকৌ চেষ্টা কৰা কাৰণ তোমাৰ চঞ্চলতাই আজি পৰা আৰু তোমাক কেতিয়াও লগ নিদিয়ে। প্ৰজ্ঞানৰ কথাকেইটাই যদিও নিবিৰৰ মন স্পৰ্শ কৰিছিল। তাথাপিও সি পলাব বিছাৰিছে নিজে নিজৰ পৰা। পিছদিনাখন ৰাতিপুৱা প্ৰজ্ঞান নিবিৰক বিছাৰি আহে নিবিৰৰ পঢ়াৰ খবৰ ল'বলৈ। পিছে প্ৰজ্ঞানে নিবিৰক ঘৰত বিছাৰি নাপায় প্ৰজ্ঞানৰ মনত অজানিতে এটা ভয় সোমাই পৰে। নিবিৰে ইতিমধ্যে টানি টোপোলা বান্ধি বাছ আস্থানত বহি আছে। সি নিজে নাজানে সি কোনফালে যাবলৈ বহি আছে। মাত্ৰ নিবিৰে ঘৰৰ পৰা, প্ৰজ্ঞান পৰা, চুবুৰীয়াৰ পৰা আৰু নিজে নিজৰ এটা ধুনীয়া জীৱনৰ পৰা পলাব বিছাৰিছে। নিবিৰ নিজৰ চকুত যেন নিজে দোষী হৈ পৰিল। নিবিৰ বহুত সময় তেনেদৰে বহি থকা দেখি এজন বৃদ্ধ ব্যক্তি নিবিৰৰ ওচৰ পালেহি আৰু নিবিৰৰ কান্ধত হাত থৈ সুধিলে- কোনফালে যাবা তুমি অত পৰ এনেদৰে বহি আছা অথচ বাছ কেইখনো পাৰ হৈ গ'ল। তেখেতৰ মাতত নিবিৰে ভাৱনাৰ পৰা বাস্তৱলৈ উভতি আহিল। নিবিৰে ক'লে মই যামেই ইয়াৰ পিছৰখন বাছ আহিলে। তেতিয়া বৃদ্ধ ব্যক্তিজনে তাক তাৰ নাম সুধিলে। সি ক'লে নিবিৰ। তেতিয়া ব্যক্তিজনে হাঁহি এটা মাৰি ক'লে বৰ ধুনীয়া নাম দেই তোমাৰ নিবিৰ। নিবিৰ মই তোমাক এটা কথা কওঁ শুনিবানে তুমি মোৰ কথা? নিশ্চয় শুনিম কওক চোন আপুনি কি ক'ব বিছাৰিছে। তুমি ইমান দেৰি ইয়াত এনেদৰে বহি থাকিলে দেখোন তুমি তোমাৰ গন্তব্যস্থান গৈ নাপাবাগৈ। সময় বহুত অপচয় হৈছে তোমাৰ। শুনা নিবিৰ ৰৈ নিদিবা গৈ থাকিবা লাহে লাহে তেতিয়াহে তুমি তোমাৰ গন্তব্যস্থান পাবাগৈ। সেয়া ফুৰিবলৈ যোৱাৰ ক্ষেত্ৰতে হওক বা তোমাৰ জীৱনৰ ক্ষেত্ৰতে হওক সদায় আগবাঢ়ি গৈ থাকিবা তেতিয়াহে তুমি তোমাৰ লক্ষ্যত উপস্থিত হ'ব পাৰিবা। এই কথাষাৰ শুনি নিবিৰৰ মনটো কিবা এটা পাতল পাতল লাগি গ'ল। তাৰ এনেকুৱা লাগিল যে সেই ব্যক্তিজনে তাৰ জীৱনৰ সকলো কথা জানে। সি কথাষাৰত নিজে নিজক বিছাৰি পালে। তেনেকুৱাতে সিফালৰ পৰা হৰ্ণ দি বাছখন আহি পালে। সি ব্যক্তিজনক বিদায় দি বাছলৈ বুলি উঠিবলৈ যাওঁতে হঠাৎ বাছখন লিখি থোৱা এযাৰি বাক্য নিবিৰৰ চকুত পৰিল। - ৰৈ নিদিবা বন্ধু গৈ থাকিবা তেতিয়াহে তুমি তোমাৰ গন্তব্যস্থান পাবা। যি শাৰী বাক্য অলপ আগত সেই অচিনাকি ব্যক্তিজনে কৈছিল। হঠাৎ সি বাছৰ পৰা নামি আহিল আৰু সেই ব্যক্তিজনক বিছাৰিবলৈ লাগিল। যাক সি অলপ আগত বিদায় দিছিল। তেনেতে নিবিৰে দেখিলে ব্যক্তিজন ৰাস্তাৰ ইটো পাৰে গৈ আছে। সি দৌৰী গৈ মানুহজনৰ কাষ পালেগৈ। তাক দেখি মানুহজন আচৰিত হ'ল আৰু ক'লে - তুমি এতিয়াও যোৱা নাই। তেতিয়া নিবিৰে ক'লে এতিয়াৰ পৰা মই যাম ৰৈ নিদিওঁ। আপোনাৰ কথাষাৰে মোক আগৰ অৱস্থালৈ ঘূৰাই আনিলে। আপোনাৰ এই কথাষাৰ মই সদায় মনত ৰাখিম আৰু জীৱন পথত আগবাঢ়ি যাম। তেতিয়া ব্যক্তিজনে ক'লে ব'লা তেন্তে আমি এতিয়া ঘৰৰ ফালে খোজ লওঁ। নিবিৰে সুধিলে আপোনাৰ ঘৰ আমাৰ ঘৰৰ ফালে নেকি? নহয় কিন্তু আজি তোমাৰ ঘৰৰ ফালে যাম। মোক তোমাৰ কথা প্ৰজ্ঞানে ক'লে তুমি যে ঘৰত নাছিলা। নিবিৰে আচৰিত হৈ সুধিলে আপুনি প্ৰজ্ঞানক কেনেকৈ চিনি পায়। তেতিয়া ব্যক্তিজনে মিচিকিয়া হাঁহি মাৰি ক'লে মই প্ৰজ্ঞানৰ ককাক। নিবিৰ আকৌ আচৰিত হ'ল আৰু সুধিলে ককা আপুনি মোক আগতে দেখা নাই গতিকে কেনেকৈ চিনি পালে। তেতিয়া ককাকে ক'লে প্ৰজ্ঞানে কৈছিল বাছ আস্থানত যদি মোৰ বয়সৰে ল'ৰা এজনক বহি থকা দেখা তেতিয়া সেই ল'ৰাজনক তুমি লগত লৈ আহিবা। তেতিয়া নিবিৰে আকৌ সুধিলে - ককা তাতটো বহুত ল'ৰা ছোৱালী আছিল তাৰ মাজত মোক কেনেদৰে চিনি পালে। ককাকে ক'লে - তাত বহি থকা প্ৰত্যেকজন ব্যক্তি নিজৰ নিজৰ ঠাই লৈ বাছ অহাৰ লগে লগে গৈছে। একমাত্ৰ তুমি বহি আছা সেইঠাইত বহুতপৰ। কাৰণ তোমাৰ যে - কোনো গন্তব্যস্থান নাছিল। ককাকৰ কথাষাৰ শুনি নিবিৰৰ চকু চলচলীয়া হৈ পৰিল। ককাক আৰু প্ৰজ্ঞানৰ প্ৰতি নিবিৰৰ মন শ্ৰদ্ধাৰে ভৰি পৰিল। ককাক আৰু নিবিৰ দুয়ো ঘৰৰ অভিমুখে আগবাঢ়িল। জীৱনত কেতিয়াও পথভ্ৰষ্ট নহওঁ বুলি নিবিৰে মনত সংকল্প ললে।

# আশা


**দুলাল বৰা**



বিশ্বনাথ চাৰিআলি  
এবুকু প্ৰশ্নবোধৰে  
এখন আজান হৃদয়  
সজাল মৰমে পৰিচয়  
দিব নোখোজা  
প্ৰত্যাহ্বানিত মনৰ নিৰৱ আশা।  
সোঁতৰ বিপৰীতমুখী যাত্ৰা মাথোঁ তাৰ  
তথাপিও টানকৈ ধৰা ব'ঠাৰ মুঠিত  
জীৱন জীয়াৰ হাবিয়াস।  
নেদেখা পথত সপোনৰ সৌধ সাজি  
বিবৰ্ণ, বিনষ্টতাৰ অলংকাৰ পিন্ধি  
আজিও সি মুক্ত নহয়  
তথাপিও হেঁপাহৰ মানসকুঞ্জত বিছাৰি ফুৰে  
ফল্গুধাৰাৰ স্নেহময়ী পোহৰ ।

# প্ৰেমৰ সংজ্ঞা

**সমুজ্জ্বল ডেকা, ৰঙিয়া**



মোৰ হৃদস্পন্দন দ্ৰুত,  
মোৰ আত্মাই জীয়াই থকা  
যেন অনুভৱ কৰে  
তোমাৰ লগত থাকিলে মোৰ প্ৰেম।  
জানা, গোলাপ ফুলৰ নিচিনা  
তোমাৰ হাঁহিত  
মই আনন্দত ফুলি উঠো।  
তোমাৰ চকুত মোৰ  
ভৱিষ্যত মই দেখিছোঁ,  
মোৰ কাষত তোমাৰ লগত  
মই য'ত থাকিব লাগে তাতেই  
তোমাৰ স্পৰ্শই জ্বলি থকা  
শিখা এটা জ্বলাই দিয়ে।  
মোৰ ভয়বোৰ গলি যোৱা,  
মোৰ বিষ শান্ত কৰা তোমাৰ প্ৰেম।  
জীৱনৰ ধুমুহাৰ পৰা মোৰ  
এটা নিৰাপদ আশ্ৰয়স্থল;  
য'ত মই কেতিয়াও নিঃসংগ নহয়।  
প্ৰতিটো উশাহৰ লগে লগে  
মই তোমাক শেষলৈকে ভাল পাম।  
প্ৰতিটো মুহূৰ্তৰ মাজেৰে আমাৰ প্ৰেমে  
অতিক্ৰম কৰিব সদায় মোৰ হিয়াত  
তোমাৰ মৰমৰ গাঢ়ীখনৰ  
সীমাহীন যাত্ৰাৰ পথ।

# মানৱতাৰ গুণটো চিৰসেউজ কৰি ৰাখিব নোৱাৰো নে?



**সুনম বিশ্বাস, গোৰেশ্বৰ, তামুলপুৰ**

মানৱতা হৈছে মানুহৰ এক গুণ । যি গুণে মানুহক অন্য জীৱতকৈ পৃথক কৰিছে । কিন্তু বৰ্তমান যুগৰ মানৱসমাজে আধুনিকতাৰ চক্ৰবেহুত পৰি 'মানৱতা'ৰ গুণটো পাহৰি যোৱাৰ উপক্ৰম হৈছে । যাৰ ফলত আপোনত্বৰ বান্ধোনত গড়ৰ সৃষ্টি হৈছে। আমি ইমানেই ব্যস্ত তথা কাঠচিতীয়া হৈ পৰিছোঁ যে মানৱতাৰ খাতিৰত মানুহৰ দুখ-শোকত এযাৰ মাত দিবলৈয়ো কুণ্ঠাবোধ কৰোঁ। আনৰ বিপদ দেখিলে নগণ্যজনৰ বাহিৰে বেছিভাগেই নেদেখাৰ ভাও জুৰি গুচি আহে। পথত দুৰ্ঘটনা সংঘটিত হ'লেও ফোনটো উলিয়াই আগতে ভিডিঅ', ফটো শ্যুট কৰাতহে ব্যস্ত হৈ পৰে। দুৰ্ঘটনা পতিত লোকজনক চিকিৎসালয়লৈ নিয়াৰ ব্যস্ততা কৰে কেইজনে? আনৰ দুখত আমাৰ অন্তৰাত্মাই কান্দি উঠেনে ? আনৰ সমস্যাৰ সমাধানৰ পথ দেখুওৱাৰ প্ৰয়াস কণ কৰাবো আমাৰ আহৰি নাই। কিন্তু যেতিয়াই সেই একেই পৰিস্থিতি আমাৰ জীৱনলৈ আহে তেতিয়া উপলব্ধি কৰোঁ দুখ, শোক, সমস্যা, বিপদৰ প্ৰকৃত সংজ্ঞা কি ..! তাৰ আগতে বুজিবলৈ আমি কিছুমানে চেষ্টাই নকৰো।

আমি ধৰ্ম পালন ঠিকেই কৰোঁ। কিন্তু মানৱ ধৰ্ম যে সকলো ধৰ্মতকৈ উৰ্ধত অৰ্থাত যি ধৰ্ম পালন কৰিলে ভগৱানো সন্তুষ্ট হয়। যি সকলো কৰ্ম ফলতকৈ শ্ৰেষ্ঠ সেয়া আমি ভাবো নে এবাৰ? চন্দ্ৰকুমাৰ আগৰৱালাই মানৱতাৰ জয়গান কৰি কৈছে "মানৱী জনম দিয়া উটুৱাই মানৱী কৰম সোঁতে, মানুহৰ মৰম বুজিবা মানুহে ধৰম যে মৰমতে।" অৰ্থাৎ আমাৰ জন্ম লাভৰ মূল উদ্দেশ্য হৈছে মানৱ ধৰ্ম পালন কৰি সৎ কৰ্মৰে নিজৰ লগতে দহৰ মংগল সাধন কৰা। গীতাতো উল্লেখ আছে 'কৰ্মই ধৰ্ম'। সৎ পথত থাকি সৎ কৰ্মৰে কৰণীয়খিনি কৰি গ'লেই মানৱী জনম সাৰ্থক হয়।

আমি কেতিয়াবা নিঃস্বজনৰ ভৰসাৰ পাত্ৰ হোৱাৰ প্ৰয়োজনবোধ কৰোনে? দৈনন্দিন জীৱনত কিছুলোক হতাশাগ্ৰস্ত হৈ জীৱনটো ধ্বংস কৰাৰ নানান পৰিকল্পনা ৰচে, তেনে পৰিপ্ৰেক্ষিতত আমি নোৱাৰোনে সেইজনলোকৰ কষ্টখিনি হৃদয়ংগম কৰি জীৱনকালত আগবঢ়াই নিবলৈ? অসহায়জনক এধানি আন্তৰিকতাৰ হাতখন আগবঢ়াই দি সেইজন লোকক মানসিক শান্তিৰ অধিকাৰী কৰিবলৈ নোৱাৰোনে? মৰম, আন্তৰিকতাই মানুহক কণ্টকময় পথেৰেও আগুৱাই যোৱাৰ পথ প্ৰশস্ত কৰে। কিন্তু সেয়া আমি কৰো কিমানজনে ?


তাৰোপৰি পদপথ, হাস্পাতালবোৰ দেখা যায় মানৱতাৰ স্খলন । হাস্পাতালত গুৰুতৰ অৱস্থাৰ ৰুগী হ'লেও বিলিঙৰ পৰা আদি কৰি, দৰৱ কিনা পৰ্যন্ত দীঘল শাৰীত ঘণ্টাৰ পাছত ঘণ্টা অপেক্ষা কৰিব লাগে। মানৱতাৰ খাতিৰত কোনেও সেইজনক লোকক প্ৰথম সুবিধা নিদিয়ে যিজনৰ প্ৰয়োজন আনতকৈ কিছু হ'লেও বেছি। বয়স্থৰ পৰা আদি কৰি সকলোৰে নিয়মানুসৰি শাৰী পাতিব লাগে। যিটো হাস্পাতালৰ শৃংখলা, সেয়া পালন কৰাটো আমাৰ কৰ্তব্য। তথাপিও জৰুৰীকালীন অৱস্থাত কিবা সুধিবলৈ হ'লেও শাৰীত থিয় হ'ব লাগে ন'হলে শাৰীত থকা লোকসকলে কাজিয়া কৰে। ভাষাৰ শালীনতাতো নায়েই, দয়া, মমতা শব্দবোৰো যেন কিছুমানৰ বাবে নিৰ্থক হৈ পৰিছে। যিটো কদাপি উচিত নহয় । সময়ৰ মূল্য সকলোৰে জীৱনত থাকে কিন্তু তাতেও মানৱতা বোলা গুণ এটা থাকে। আমি পৰিস্থিতি অনুসৰি অলপ ৰৈ যাব লাগে। অন্তৰখন অলপ বিশাল কৰিব লাগে। কেৱল নিজ স্বাৰ্থৰ বৰশীত সম্পৰ্কবোৰ বজাই ৰাখিব নালাগে। সমদৃষ্টিৰে জগতখনৰ সকলোবোৰ দিশ প্ৰত্যক্ষ কৰিব লাগে। কোৱা বাহুল্য যে মানৱতা, পৰোপকাৰিতা ইত্যাদি গুণবোৰোত আজিকালি ঘুণে ধৰিছে।

অন্যহাতে পদপথৰ ভিক্ষাৰীসকলৰ প্ৰতিও কিছুমানে দুৰ্ব্যৱহাৰ কৰা দেখা যায়। কেতিয়াবা মুখখন টেঙাই ধমকি দি এটকা বা দুটকাৰ মুদ্ৰা এটা দলিয়াই দিয়া দেখা যায়। নতুবা জন্তু তুল্য ব্যৱহাৰ কৰে। হাতত ধন নাথাকিলেও আমাৰ সহানুভূতিশীল মন এটাৰ বাৰুকৈয়েই প্ৰয়োজন। কাৰোবাক কিবা দিবলৈ বা সহায় কৰিবলৈ হ'লে মনটো চহকী হ'ব লাগে। ধনৰ বাহিৰে যদি আন্তৰিকতাৰে এযাৰ মাত দিয়া যায় তেতিয়াও সেইজনৰ বাবে সেয়াও এক পৰম প্ৰাপ্য, হৃদয় জুৰাই যোৱা এক উপহাৰ । কথাকবি যতীন্দ্ৰ নাথ দুৱৰাৰ 'মগনিয়াৰ' নামৰ কথা কবিতাটিত দেখা যায় মানৱতাৰ উজ্জ্বল নিৰ্দৰ্শন। কবিয়ে কৈছে - "ককাই, মোৰ ওপৰত খং নকৰিবা, মোৰ হাতত একোৱেই নাই ।" অৰ্থাৎ সেই সময়ত কবি গৰাকীৰ হাতত মগনিয়াৰজনক দিবলৈ একো নাছিল । একেবাৰেই নিঃস্ব আছিল তেওঁ। কিন্তু কবিৰ হৃদয়খন আন্তৰিকতা, সহানুভূতিৰ ফালৰ পৰা দৰিদ্ৰ নাছিল। অপৰিস্কাৰ উখহা হাতখন কবিয়ে মমতাৰ বান্ধোনেৰে মুঠি মাৰি ধৰি যি আন্তৰিকতাৰ প্ৰমাণ দিছিল সেয়াও আছিল মগনিয়াৰজনৰ বাবে মহান দান। তেনেকৈ আমিও নোৱাৰোনে হৃদয়ৰ নিভৃত কোণত বিৰাজিত মানৱী গুণৰ বহিঃপ্ৰকাশ কৰিবলৈ? সৰ্বস্বান্তজনৰ ভৰসাৰ পাত্ৰ হ'বলৈ? নিঃসংগতাৰ সংগী হ'বলৈ, বেদনাৰে ভাৰাক্ৰান্ত লোকৰ জীৱনটো অলপ আপোনত্বৰ অস্তিত্ব অনুভৱ কৰাই ৰঙীন কৰি তুলিবলৈ ?

গতিকে, আমি ক'ব পাৰোঁ যে ইচ্ছা কৰিলে আমি কৰিব নোৱাৰা একো নাই। আপোন- পৰৰ ভেদাভেদ নকৰি, স্বাৰ্থান্ধৰ বীজটো অন্তৰখনত অংকুৰিত হ'বলৈ নিদিলেই জগতখনক আপোন কৰি ল'ব পাৰি । জীৱশ্ৰেষ্ঠ লোকৰ আবাসভূমি এই পৃথিৱীখন স্বৰ্গতকৈয়ো অধিক সুখৰ কৰি ল'ব পাৰি । যিমানদিন মানৱতাৰ গুণবোৰ জীয়াই থাকিব সিমানদিনলৈ সম্পৰ্ক, আপোনত্বৰ অস্তিত্ব চিৰসেউজ হৈ থাকিব। নহ'লে জীৱশ্ৰেষ্ঠতাৰ মুকুটখনত কলংকৰ ছাঁই লাগিব। মানৱতা, সহানুভূতি, পৰোপকাৰিতা, দয়া, মায়া ইত্যাদিবোৰ শব্দই কেৱল অভিধানৰ পৃষ্ঠা শুৱনি কৰিব । আজিকালি খুবেই কম লোকৰ অন্তৰখনত মানৱতাৰ গুণটো দেখিবলৈ পোৱা যায়। আমি জানো মানৱজীৱন ক্ষন্তেকীয়া, গতিকে এই ক্ষন্তেকীয়া জীৱনটো উপভোগ কৰিবলৈ কেৱল ধনাৰ্জনৰ বাবে অতিবাহিত নকৰি ; সকলোৰে লগত হাঁহি - ধেমালি, আনন্দৰে ভ্ৰাতৃত্বৰ ভাৱেৰে মানৱতাৰ বাঘজৰীডাল টানকৈ ধৰো। আহক আমি সকলোৰেই বিনাদ্বিধাই বিশাল মনৰ অধিকাৰী হৈ মানৱতাৰ গুণবোৰ জীয়াই ৰাখো । চন্দ্ৰকুমাৰ আগৰৱালাৰ 'মানৱ বন্দনা' কবিতাটিত মানৱ ধৰ্মৰ যি সুন্দৰ উল্লেখ আছে- "মানুহেই দেৱ মানুহেই সেৱ মানুহ বিনে নাই কেৱ কৰা কৰা পূজা। পাদ্য অৰ্ঘ্য লৈ জয় জয় মানৱ দেৱ ।" এই বাক্যশাৰী সাৰোগত কৰি পৃথিৱীখন স্বৰ্গৰাজ্যৰ অধিকাৰী কৰি গঢ়ি তোলো ।

# চৰকাৰতকৈও শক্তিশালী সংবাদকৰ্মী সকল

**সত্যজিৎ গগৈ, কলিয়াবৰ**



এখন দেশত প্ৰতিটো মুহূৰ্তৰ খবৰ প্ৰতি মুহূৰ্ততে জনসাধাৰণৰ বাবে লৈ আহে সংবাদ কৰ্মী সকলে। তেওঁলোক হৈছে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ। তেওঁলোকে দেশত চৰকাৰ বনাবও পাৰে আৰু ভাঙিবও পাৰে। তেওঁলোকৰ এনে এক শক্তি আছে। যিটো ৰাজনৈতিক নেতা সকলৰ নাই।যদি চৰকাৰে দেশ এখন পৰিচালনা কৰোঁতে কোনোবা খিনিত ভুল কৰে, তেতিয়া সংবাদ কৰ্মী সকলে তেওঁলোকক জবাবদিহি কৰিব পাৰে। সঠিক প্ৰশ্নৰে থকাসৰকা কৰিব পাৰে। প্ৰয়োজনত জনমত গঠন কৰি চৰকাৰ সলনিও কৰিব পাৰে। কিন্তু তাকেই নকৰি বৰ্তমান সময়ত সংবাদ কৰ্মী সকলৰ সৰহ সংখ্যককে চৰকাৰৰ বহতীয়া যেনহে লাগে। কেইটামান পইচাৰ লোভতেই চৰকাৰৰ ওচৰত শৰণাপন্ন হোৱা দেখা যায়। ই সমাজৰ লগতে গণতন্ত্ৰৰ বাবে অতি ভয়ানক। দেশত ইমানবোৰ ইলেক্ট্ৰনিক মেডিয়া হ'ল। চৰকাৰী খণ্ড, ব্যক্তিগত খণ্ড, কোনোবা আকৌ পৰ্টেলৰ মালিক হ'ল। কিন্তু কোনোটোৱেই চতুৰ্থ স্তম্ভ হৈ নাথাকিল। দেশৰ চুকে কোণে কাঠফুলাৰ দৰে গজি উঠা এইবোৰ মাত্ৰ একো একোটা ব্যৱসায়িক প্ৰতিষ্ঠানহে। অসমৰ বেলিকাতেই যদি সকলো সাংবাদিকৰ তালিকা প্ৰস্তুত কৰা যায়, তেন্তে কিমানজন সাংবাদিকে গণসংযোগ আৰু সাংবাদিকতা পাঠ্যক্ৰমটো পঢ়িছে। তাক আঙুলিৰ মূৰত হিচাপ কৰিব পৰা যাব। তাৰ মানে অসমভূমিত বেছিভাগেই নকল সাংবাদিক আছে। প্ৰকৃততে সাংবাদিকতাই কি শিকাই? চৰকাৰৰ সৈতে উঠা বহা কৰিবলৈ নে দেশৰ ভিতৰৰ বেয়াবোৰক আঁতৰাই সঁচা আৰু শুদ্ধটোক প্ৰতিষ্ঠা কৰিবলৈ ! এতিয়া কথাবোৰ এনে পৰ্যায় পাইচেগৈ যে কোনো এজন সংবাদকৰ্মীয়ে নেতা সকলক সঠিক প্ৰশ্নেৰে থকাসৰকা কৰিব নোৱাৰে। আনকি এজন অশিক্ষিত নেতাই দেশৰ গোটেই শাসন ব্যৱস্থাটোকেই আঙুলিৰ মূৰত নচুৱাই থাকিব পাৰিছে। আই.এছ, আই.পি.এছ, এ.পি.এছ কোনো বিষয়াকেই কেৰেপ নকৰা অশিক্ষিতৰ হাতলৈ যেতিয়া দেশৰ শাসন ভাৰ যাব। তেতিয়া দেশখন ভাঙিবলৈ বেছি সময় নালাগিব। এইবোৰৰ পৰা দেশক ৰক্ষা কৰাটোৱেই হৈছে সংবাদকৰ্মী সকলৰ দায়িত্ব আৰু কৰ্তব্য।

চুটিগল্প ...

# এটা মৃতদেহ

মুন শৰ্মা, লখিমপুৰ



যান বাহন সংখ্যা বৰ এটা বিশেষ নাই নিশা ও হ'ল বহুত, ক'বলৈ গ'লে মাজ নিশাই হ'ব অলপ পাছত লক্ষ্য থলীলৈ এতিয়াও বিশ কিলোমিটাৰ বাট বাকী। মনতে ভাবিছোঁ কালি ৰাতি পোৱা সুযোগটো যদি গ্ৰহণ কৰিলোঁ হেঁতেন, তেতিয়া আজি সন্ধ্যাতে গন্তব্য থলীত উপস্থিত হ'ব পৰিলোঁ হেঁতেন।

উপায় নাই, কি কৰিম ভাগ্যত লিখা আছিল এনেকৈ, গতিকে এনেকৈ হ'ব। নিজেই নিজৰ ওপৰতে অলপ আবেগিক হৈ পৰিছিল কিন্তু মূহুৰ্ততে মনটো সলনি কৰি আগুৱাই হৈ থাকিল তেওঁ।

মধ্যমীয়া গতিত গৈ আছে তেওঁৰ গাড়ী খন। চালকৰ আসনত তেওঁ নিজেই। অন্য মানুহ নাই যাত্ৰী ৰূপে তেওঁ অকলে। কিছু দুৰ আগুৱাই যোৱাৰ পাছত কিছু সময় হাবিতলীয়া বাটেৰে আহি আহি তেওঁ উঠিল ৰাষ্ট্ৰীয় ঘাইপথত। অলপ আগৰ পৰা বিষন্ন হৈ থকা মনটো অলপ পাতল লাগিল মিষ্টাৰ অ?ন তালুকদাৰৰ। আৰু একা বেঁকা কৰিব লগা নাই পোন ৰাস্তাৰে চহৰলৈ বুলি গতি কৰি।

এইয়া কি! গাড়ীৰ ভিতৰৰ পৰাই দূৰত দেখিলে কোনোবা এজন মানুহ ৰাস্তাৰ কাষতে শুই আছে। ভালকৈ লক্ষ্য কৰি দিলে তেওঁ এগৰাকী মহিলা। আৰু ভালকৈ চাই দেখিলে তেওঁ দেখোন আঘাত প্ৰাপ্ত। তেজ বিৰিঙি আছে, লগে লগে গাড়ী ৰখাই নামি গ'ল তেওঁ, ভালকৈ চাই দেখিলে তেওঁ বৰ বেয়াকৈ দুখ পাইছে মাতবোল নাই, লগে লগে তেওঁৰ গাড়ীত ভৰাই দিবলৈ চেষ্টা কৰিলে কিন্তু হঠাৎ তেওঁ মনে তেওঁক বাধা দিলে এই কামটো কৰিব। পিছে বিবেকৰ অনুৰোধত মনৰ কথা ৰাখিব নোৱাৰিলে তেওঁ আৰু আধা মৰা মানুহ জনীক লৈ মেডিকেল লৈ বুলি ৰাওনা হ'ল। বিভিন্ন চিন্তা বিভিন্ন কথাই অঞ্জন তালুকদাৰ মূৰত ঘূৰি ফুৰিল কিন্তু কোনো কথাই গুৰুত্ব নিদি তেওঁ আগুৱাই গুচি গ'ল।

এটা সময়ত মেডিকেলৰ সন্মুখত তেওঁ উপস্থিত হল। অলপ সময়ও পলম নকৰি তেওঁ মানুহ জনীক গাড়ী খনৰ দুৱাৰ খুলি উলিয়াই আনি চিকিৎসকৰ হাতত সমজায় দিলেই। তাৰ পিছতেই তেওঁ ওলাই আহিল মেডিকেল পৰা, কাৰণ ইয়াত বেছি পৰ কৰিলে কালিলৈ অফিচত থকা ডাঙৰ মিটিং খন উপস্থিত হ'বলৈ অসুবিধা হ'ব ভাবি। পাছৰ দিন টো ভালকৈ পাৰ হ'ল অঞ্জন তালুকদাৰ, আগদিনা ঘটনা টো মনত পৰিলে বেয়া লগে লগতে ভালো লাগে কাৰণ এজনী অচিনাকি ব্যক্তিক সহায় কৰিব পাৰি বৰ ভাল লাগিল তেওঁ।

দাদা, মাছৰ দাম কেনেকৈ লাগিছে? বোপাই চাৰিশ টকা কেজি, অহ, বহু দাম দেখোন, তথাপি ৰুকেল মাছ দেখি সৰু চাই মাছ এটা কিনি আগুৱালে অফিচৰ পৰা ৰুমলৈ বুলি।

মিষ্টাৰ অঞ্জন তালুকদাৰ। কাৰোবাৰ মাত ঘূৰি চাই দেখিলে এজন আৰক্ষী বিষয়াই তেওঁক। মাতিছে, হয় ক'ব।

আপুনি আমাৰ লগত থানা লৈ আহক। আচৰিত হল অঞ্জন তালুকদাৰ, কিয় ছাৰ!


প্ৰশ্ন নকৰিব, আমাৰ লগত ব'লক। একো বুজি নাপালে অঞ্জন তালুকদাৰে, বজাৰৰ মাজ মজিয়াৰ পৰাই বহু জনৰ চকুৰ সন্মুখতে তেওঁক উঠাই লৈ গুচি গল।

জেৰা ওপৰত জেৰা গোটেই ঘটনা তেওঁ কৈ গ'ল কিন্তু মানি নলয় আৰক্ষীয়ে। মই সহায় কৰিছো ডাঙৰীয়া হত্যা কৰা নাই মহিলা জনীক। বাটত তেনে অৱস্থাত পায় মেডিকেলৈ লৈ আহিছোঁ ইয়াৰ বাহিৰে মই একো নাজানো।

ইয়াৰ প্ৰমাণ ক'ত আপোনাৰ হাতত ?পুলিচ বিষয়া জনে খঙেৰে সুধিলে। সিফালে প্ৰমাণ দিব নোৱাৰে একো অঞ্জন তালুকদাৰে। অকণমান আশা থকা সেই মহিলা গৰাকীৰ মৰি থাকিল সিদিনাই। পিছত হে গম পালে তেওঁ।

সিফালে অঞ্জন তালুকদাৰে হত্যা কৰা নাই বুলি কোৱাত আৰক্ষীয়ে আকৌ তদন্ত আৰম্ভ কৰিলে তেওঁক থানাতে ৰাখি। দহ টা দিন পাৰ হৈ গল। অঞ্জন তালুকদাৰে খবৰ দিয়া এই আৰক্ষী চকীতে তেওঁ আজি খবৰ হৈ ৰৈ আছে। বৰ দুৰ্ভাগ্য। হঠাৎ আহিল সেই খবৰ যিয়েই অঞ্জন তালুকদাৰ পুলিচৰ হাতৰ পৰা ওলাই অহা বাট মুকলি হল। অৱশেষত ধৰা পৰিল মহিলা জনী সেই অৱস্থা কৰা ব্যক্তি জন। লগে লগে ইমান দিনে সন্দেহ কৰি থকা অঞ্জন তালুকদাৰ হৈ পৰিল আকৌ আগৰ দৰেই সন্মানীয় ব্যক্তি জন। তেওঁৰ ওপৰত কেছ কৰা চিকিৎসালয় মহিলা জনীৰ পৰিয়ালে কেছ উঠাই ললে। আৰু থানা খনৰ পুলিচ ষ্টাফে তেওঁক ক্ষমা খুজি মুকলি আকাশ তলত সন্মানেৰে বিদায় দিলে তেওঁক।

# টাৰ্নিং পইন্ট



স্বাগতা বৰুৱা গোস্বামী

সকলো মানুহৰে কিছুমান একান্তই ব্যক্তিগত কথা থাকে। কিন্তু সেই ব্যক্তিগত কথাখিনি নিৰ্দিষ্ট এটা সময়লৈকেহে ব্যক্তিগত হৈ থাকে। ব্যক্তিগত কথা খিনি কেৱল যে প্ৰাপ্ত বয়স্ক সকলৰ মাজতে থাকে তেনে নহয়। সৰুৰ পৰা ডাঙৰলৈকে সকলোৰে মাজত এই ব্যক্তিগত কথা থাকে। সৰু ল'ৰা-ছোৱালীৰ বিলাকৰ মাজত আকৌ sceret শব্দটোয়ে খুবেই আমোদ দিয়ে। তেওঁলোকৰ বাবে ৰবৰ এদালৰ আদান প্ৰদানটোও এটা secret কথাই হৈ পৰেগৈ। বয়স বাঢ়ি অহাৰ লগে লগে ইয়াৰ ওজনটো বাঢ়ি গৈ থাকে। আমাৰ সমাজত কেতিয়াবা দুই পক্ষৰ মাজত হোৱা কথোপকথনত তৃতীয় পক্ষৰ কথা আহিলেই তোমাৰ আৰু মোৰ মাজৰ কথালে আহি যায়েই নহয়। বাৰু যিকি নহওঁক বিয়াৰ পিছত স্বামী আৰু স্ত্ৰীৰ মাজতো এনেকুৱা বহুত কথা থাকে। তেনে এটা কথা আজি আপোনালোকৰ আগত ক'বলৈ মন গৈছে। আগতেই কৈছো যে কিছু ব্যক্তিগত কথা কেৱল এটা সময়লৈকেহে ব্যক্তিগত হৈ থাকে। সমস্যাৰ সমাধান হ'লে ব্যক্তিগত কথা আনৰ লগত বিনিময় কৰিবলৈ ভাল লাগে। তেনে এটা কথা আজি বিনিময় কৰিবলৈ মন গ'ল।

২০২০ চন। এটি ভয়ংকৰ সময়। চাৰিওফালে কভিডৰ বিভীষিকা। এফালে কৰ্মৰ চিন্তা আনফালে কভিড হ'ব বুলি চিন্তা। প্ৰথম সম্পূৰ্ণ লকডাউন। মানুজনৰ চাকৰি ব্যক্তিগত খণ্ডত হোৱাৰ বাবে সম্পূৰ্ণ লকডাউনত প্ৰথমে অলপ সময় একেলগে অতিবাহিত কৰি ভালেই লাগিছিল। লাগিল লেঠা তাৰপিছতহে। আহি গ'ল ৰাতিপুৱাৰ পৰা গধুলিলৈকে কভিডৰ সময়ত জনপ্ৰিয়তা লাভ কৰা work from homeৰ। কভিডৰ সময়ত আৰু কেইটামান শব্দই জনপ্ৰিয়তা লাভ কৰিছিল যেনে quarantine, social distance, mask, sanitizer ইত্যাদি। সকলোৰে মনতে আছে চাগৈ। কৰ্মক্ষেত্ৰত প্ৰত্যেক দিনাই নতুন নতুন নিয়ম। তাৰপিছত আহিল কিছুমান ব্যক্তিগত খণ্ডৰ ব্যৱসায়িক প্ৰতিষ্ঠানে তেওঁলোকৰ কৰ্মচাৰীক 'hold' ত থোৱা, সময় ভাল হলে আকৌ মাতিম ইত্যাদি ইটো-সিটো বহুতো। তাতে নাম আহিল আমাৰ মানুহজনৰ। খুবেই মনতো বেয়া লাগিল। নিস্থাৰে সকলো কাম সম্পাদন কৰা মানুহজনক 'Hold' ত থোৱাৰ কাৰণটো আজিকোপতি ভাবি নাপালো, ভাবি নাপালো কাৰ ষড়যন্ত্ৰৰ বলি হ'ল মানুজন। কথাবোৰ আমি কাকো ক'ব পৰা নাছিলো। কাৰণ এই কথা জানিলে সকলো চিন্তাত পৰিব, খোৱা-শোৱা নাইকিয়া হ'ব এনে সময়ত থকা চাকৰিটো নাইকিয়া হ'লে কি হ'ব, ক'ত নিযুক্ত হ'ব, এই সময়ত কোনে ল'ব মুঠৰ ওপৰত এশ এবুৰি চিন্তা। ছোৱালীজনীৰ মুখলৈ চালে আমাৰ চকুৰ পৰা লোতক বাগৰে, লগতে ৭৫ টা বসন্তই গৰকা শাহুমা। কি কৰিম ভাবি থাকোতেই বৰুৱা চাৰে আমাক এটি সুন্দৰ ঠিকনাৰ আশ্বাস দিলে। ঠিকনাৰ পম খেদি মানুহজন উপস্থিত হ'ল দেৱতা সদৃশ টিব্ৰেৱাল চাৰৰ দুৱাৰত। তেওঁ আমাক বিশ্বাস দিলে। মহন্ত চাৰে দিলে উৎসাহ, চৌধুৰী চাৰ, দাস দাকে আদি কৰি বাকি সকলোৱে মিলি আগবঢ়ালে সহায়ৰ হাত। তাৰ লগে লগে মানুহজনে যোগ কৰিলে কষ্টক। আশ্বাস+ বিশ্বাস+ উৎসাহ+কষ্ট = সফলতা। আজি মানুজন যি অলপ সফল হৈছে কৰ্মক্ষেত্ৰখনত এই সকলোবোৰৰ সংমিশ্ৰণতহে। এই খিনিতে আকৌ আমাৰ চহকী ভাষাটোৰ দুষাৰমান কথালৈ মনত পৰিছে। 'যি হয় ভালৰ কাৰণেই হয়', 'গোৰ মাৰি গংগাত পেলোৱা' আদি ।আমাৰ ক্ষেত্ৰত এই কেইটা কথা যেন নিৰ্ঘাত ফলিয়াইছে। তেতিয়াৰ পৰা এতিয়ালৈকে সুন্দৰ ভাবেই দিনবোৰ গৈ আছে। আগলৈ আৰু ভাল হোৱাৰ আশাৰে নেদেখাজনৰ ওচৰত নতশিৰ। ব্যক্তিগত কথাবোৰ মানুজনৰ সফলতা দেখাৰ দিনা মনত পৰি চকুৰ পৰা যেন এধাৰি মুকুতাৰ মালাৰ নিগৰি আহিছিল।

# স্তৱক

ছেলিমা বেগম



সকলোতে চুটি লৈ লিখিবলৈ মন যায়,  
তোমাৰ নামত কবিতা এটি  
ফুলৰ পৰা সুগন্ধি লৈ  
হৃদয়ৰ পৰা তেজ লৈ  
মনৰ বেদনা প্ৰকাশ কৰিম  
উজাগৰে থাকি গভীৰ নিশা!

# ঋতুস্ৰাৱৰ সজাগতা

ডাঃ যুতিকা ওজা, মুৰব্বী অধ্যাপিকা,
কমিউনিটি মেডিচিন বিভাগ
গুৱাহাটী চিকিৎসা মহাবিদ্যালয়



ঋতুস্ৰাৱ হৈছে মহিলা আৰু কিশোৰীসকলৰ বাবে এক স্বাভাৱিক প্ৰক্ৰিয়া। সাধাৰণতে ১০ বছৰ বয়সৰ পৰা ১৬ বছৰৰ ভিতৰত ছোৱালীসকলে পুষ্পিতা হয়। পুষ্পিতা হোৱাৰ পৰা আৰম্ভ কৰি ৰজোনিবৃত্তি (meno-pause) পৰ্যন্ত প্ৰতিমাহে স্বাভাৱিক ভাৱে মহিলাসকলৰ ঋতুস্ৰাৱ চলি থাকে। ঋতুস্ৰাৱৰ এই দিনকেইটাই মহিলাসকলৰ জীৱনত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। এই দিনকেইটা মহিলাসকলে পৰিষ্কাৰ পৰিচ্ছন্ন হৈ থকাটো অতি প্ৰয়োজন। যিয়ে তেওঁলোকক স্বাস্থ্য সুৰক্ষাৰ লগতে মানসিক ভাৱেও সবল কৰি ৰাখে। যথোচিত পৰিষ্কাৰ পৰিচ্ছন্নতাই অস্বস্তি হ্ৰাস কৰাৰ লগতে আত্মসন্মানো বৃদ্ধি কৰে।

ঋতুস্ৰাৱৰ সময়ত ব্যৱহাৰ হোৱা কাপোৰ, ছেনিটাৰি পেড, নেপকিন আদি স্বাস্থ্যসন্মত হোৱা প্ৰয়োজন। পৰিষ্কাৰ নহ'লে বিভিন্ন ধৰণৰ বীজাণুৰ দ্বাৰা হোৱা ৰোগ, প্ৰস্ৰাৱৰ সংক্ৰমণ, জনন অংগৰ ৰোগ, ভেঁকুৰজনিত সংক্ৰমণ আদি ৰোগ হ'ব পাৰে। ক্ৰমাগতভাৱে হোৱা এনে সংক্ৰমণৰ ফলত কেতিয়াবা বন্ধ্যাত্ব পৰ্য্যায় পৰ্যন্ত পাবগৈ পাৰে। আজিকালি মহিলাসকলে সচৰাচৰ চেনিটাৰী নেপকিন বা পেড ব্যৱহাৰ কৰে যদিও এতিয়াও বহু মহিলাই কাপোৰ ব্যৱহাৰ কৰে। বহুতে আৰ্থিক কাৰণত বা পৰম্পৰাগত কাৰণতো কাপোৰ ব্যৱহাৰ কৰে। কাপোৰ ব্যৱহাৰ কৰিলেও কাপোৰ খন পৰিষ্কাৰ হ'ব লাগে আৰু চাবোনেৰে ভালকৈ ধুই ৰ'দত শুকুৱাই ভালদৰে থ'ব লাগে।

অতীজৰ পৰা ভাৰতীয় সমাজত ঋতুস্ৰাৱ সম্পৰ্কে বহুতো ভ্ৰান্ত ধাৰণা চলি আহিছে। সংকোচৰ বাবে বহুতে এই বিষয়টো এৰাই চলে আৰু বহুতে ইয়াৰ বিষয়ে সজাগ নহয়। এতিয়াও বহুতো ছোৱালীয়ে পুষ্পিতা হোৱাৰ সময়লৈকে এই বিষয়ে প্ৰকৃত ধাৰণা নজনাকৈয়ে থাকে। ঋতুস্ৰাৱ সম্পৰ্কে সঠিক ধাৰণা এতিয়াও সামাজিক ৰীতি - নীতিৰ দ্বাৰা বাধাগ্ৰস্ত হৈয়ে আছে। অদূৰদৰ্শিতা আৰু সজাগতাৰ অভাৱৰ বাবে মানুহে এতিয়াও ঋতুস্ৰাৱৰ স্বাস্থ্য সম্পৰ্কে পূৰ্ণ শিক্ষিত নহয়। ইয়াৰ ফলত উক্ত দিনকেইটাত মহিলাৰ স্বাভাৱিক গতিশীলতা আৰু দৈনন্দিন কামকাজত অংশগ্ৰহণ সীমিত হয়।

ভাৰতৰ বহু ঠাইতে এতিয়াও ঋতুস্ৰাৱৰ প্ৰক্ৰিয়াটো অশুচি বুলি গণ্য কৰে। সেইবাবে সেই সময়খিনিত মহিলাসকলক স্বাভাৱিক কাম কাজত অংশগ্ৰহণ কৰাৰ পৰা নিষিদ্ধ কৰা হয়। বহু পৰিয়ালতে ঋতুস্ৰাৱৰ সময়খিনিত মহিলাগৰাকীক ৰান্ধনিঘৰত সোমাবলৈ দিয়া নহয়। সেইকেইদিন মহিলাগৰাকীক সুকীয়াভৱে (মাটি আদিত আছুতীয়াকৈ বিচনা পাতি) শুৱলৈ দিয়া হয় আৰু পৃথক বাচনত খাবলৈ দিয়া হয়। বহু ঠাইত চুলি ধোৱাৰ ক্ষেত্ৰতো বাধা প্ৰদান কৰা হয়। পৰিষ্কাৰ পৰিচ্ছন্নতাৰ দিশটো কমি যোৱাৰ বাবে শেষত মহিলাগৰাকী ৰোগৰ দ্বাৰা আক্ৰান্ত হোৱাৰ লগতে মানসিকভাৱেও দুৰ্বল হৈ পৰে। ধৰ্মীয় কাম কাজ, মাংগলিক কাম কাজ আদিৰ পৰা মহিলাগৰাকীক সম্পূৰ্ণৰূপে বাৰন কৰা হয়। কোনো কোনো ঠাইত ঋতুস্ৰাৱৰ এই দিনকেইটাত খাদ্যৰ ক্ষেত্ৰতো প্ৰতিবন্ধকতা আছে। জনধাৰণা মতে দৈ, তেঁতেলী, আচাৰ আদিয়ে ঋতুস্ৰাৱৰ ৰক্তপ্ৰবাহ বৃদ্ধি কৰে আৰু ব্যায়াম আৰু শাৰীৰিক কাৰ্যকলাপৰ দ্বাৰা প্ৰবাহ বৃদ্ধি হয়। প্ৰকৃততে সঠিক ব্যায়াম আৰু শাৰীৰিক কাৰ্য্যকলাপ ঋতুস্ৰাৱৰ সময়ছোৱা সুকলমে পাৰ হোৱাত সহায়কহে হয়।

অতীতৰ পৰাই এটা ভ্ৰান্ত ধাৰণা চলি আহিছে যে ঋতুস্ৰাৱৰ এই সময়ছোৱাত মহিলাসকল অশুচি হৈ পৰে। মহিলাৰ জনন অংগৰ পৰা যি ৰক্ত নিৰ্গত হয় সেয়া অশুচি, দূষিত বুলি গণ্য কৰা হয়। আনকি মহিলা গৰাকীক সংস্পৰ্শলৈ অহাটোও অশুচিকৰ বুলি গণ্য কৰা হয়। বিজ্ঞানৰ জয়যাত্ৰাৰ এই বৰ্তমান দিনতো এনেবোৰ ভ্ৰান্ত ধাৰণা আমাৰ সমাজ ব্যৱস্থাৰ বাবে সঁচাকৈয়ে ভ্ৰূকুটিস্বৰূপ। যি সময়ত সমাজৰ সকলো ক্ষেত্ৰতে আধুনিকতাৰ পৰশ পৰিছে সেই সময়তে এতিয়াও এচাম মানুহে ঋতুস্ৰাৱ সম্পৰ্কে বহুতো অন্ধবিশ্বাস, কুৰীতি-নীতিৰ দ্বাৰা চলিত হৈ আহিছে। মানুহে জনা উচিত যে ঋতুচক্ৰ প্ৰক্ৰিয়াটো মহিলাৰ ক্ষেত্ৰত তেনেই স্বাভাৱিক প্ৰক্ৰিয়া আৰু এই সময়ছোৱাত যি ৰক্তক্ষৰণ হয় সেয়াও স্বাভাৱিক আৰু কোনো প্ৰকাৰে দূষিত নহয়।

আমাৰ সামাজিক ব্যৱস্থাত আন এটা গভীৰ সমস্যা হ'ল এতিয়াও বহু ঠাইতে অনাময়ৰ সুব্যৱস্থা নাই। স্কুল, কলেজ, অফিচ, কাছাৰী আদিত পৰিষ্কাৰ পৰিচ্ছন্ন শৌচাগাৰ, প্ৰস্ৰাৱগাৰৰ অভাৱ। কোনো কোনো ঠাইত আকৌ পৰ্য্যাপ্ত বিশুদ্ধ পানীৰ অভাৱ। যাৰ ফলত মাহেকীয়াৰ সেই দিনকেইটা বহু ছোৱালীয়ে স্কুল- কলেজলৈ যোৱাটোৱে বন্ধ কৰি দিয়ে। তেনেক্ষেত্ৰত পঢ়া শুনাৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি হয় লগতে সামাজিক সংযোগত প্ৰভাৱ পেলায়। উৎসাহ কমি যোৱাৰ ফলত বহুসময়ত ছোৱালীৰ পঢ়াৰ প্ৰতি ধাউতি কমি যায় আৰু পৰৱৰ্তীসময়ত স্কুললৈ যোৱাটো সম্পূৰ্ণৰূপে বন্ধ হৈ যায়। এক সমীক্ষামতে ২১.৪ শতাংশ ছোৱালীৰে(৬বছৰৰ পৰা ১৭ বছৰ বয়স) স্কুলীয়া জীৱন আধৰুৱা হৈ থাকে। ২০২২ চনত প্ৰকাশ পোৱা এই সমীক্ষাত ভাৰতৰ প্ৰায়বোৰ ৰাজ্যৰে স্কুলীয়া ছাত্ৰীসকলক সামৰি লোৱা হৈছিল।

চৰকাৰৰ ফালৰ পৰাও ঋতুস্ৰাৱৰ সময়ছোৱাৰ পৰিষ্কাৰ পৰিচ্ছন্নতা আৰু কিশোৰী তথা মহিলাসকলৰ সুস্বাস্থ্যৰ বাবে বিভিন্ন পদক্ষেপ হাতত লোৱা হৈছে ২০২১ চনৰ পৰা ঋতুস্ৰাৱৰ সময়ৰ পৰিষ্কাৰ পৰিচ্ছন্নতা সম্পৰ্কীয় সজাগতা, চেনিটাৰী পেডৰ বহুল প্ৰচলন তথা পেডসমূহৰ স্বাস্থ্যসন্মত নিষ্কাষণ আদিৰ দৰে উদ্দেশ্য আগত ৰাখি menstrual hygiene scheme ৰ প্ৰৱৰ্তন কৰা হৈছে। স্বাস্থ্যকৰ্মীসকল বিশেষকৈ ANM, আশাকৰ্মী, অংগনবাড়ী কৰ্মী আদিৰ সহযোগত এতিয়াও এই চৰকাৰী যোজনা প্ৰচলিত হৈ আছে। কিশোৰী আৰু মহিলা সকলক ঋতুস্ৰাৱ সম্পৰ্কে সজাগতা, পৰিয়াল তথা সমাজৰ সকলো ব্যক্তিৰ এই ক্ষেত্ৰত বিজ্ঞানসন্মত সচেতনতা বৃদ্ধিৰ ক্ষেত্ৰত চৰকাৰৰ এই পদক্ষেপ বহু কাৰ্য্যকৰী হৈছে। আনকি স্বাস্থ্যকৰ্মী সকলৰ দ্বাৰা বিনামূলীয়া চেনিটাৰী পেড বিতৰণ কাৰ্য্যসূচীও হাতত লোৱা হৈছে। নেশ্যনেল ফেমিলি হেল্থ চাৰ্ভে (NFHS-4) ৰ তুলনাত NFHS-5ৰ সমীক্ষা মতে ঋতুস্ৰাৱৰ সময়ছোৱাৰ পৰিষ্কাৰ পৰিচ্ছন্নতা ৫৮ শতাংশৰ পৰা ৭৮ শতাংশলৈ বৃদ্ধি পাইছে। আশাব্যঞ্জকভাৱে চেনিটাৰী নেপকিনৰ ব্যৱহাৰো ৪২ শতাংশৰ ৬৪ শতাংশলৈ বৃদ্ধি পাইছে।


ভাৰতৰ স্বাস্থ্যখণ্ডত নৱতম সংযোজন স্বচ্ছতা অভিযানৰ দ্বাৰা স্কুল কলেজৰ শ্ৰেণীসমূহৰ ছোৱালীসকলে উপস্থিতি বৃদ্ধিৰ বাবে অনাময় ব্যৱস্থাৰ উন্নতীকৰণৰ বাবে পদক্ষেপ লোৱা হৈছে। স্কুল সমূহত বিজ্ঞানসন্মতভাৱে প্ৰস্ৰাৱগাৰৰ নিৰ্মাণ কৰা হৈছে। স্কুল- কলেজ, কৰ্মক্ষেত্ৰৰ লগতে ব্যক্তিগত ঘৰসমূহতো শৌচাগাৰ, প্ৰস্ৰাৱগাৰৰ সুব্যৱস্থা থাকে তাৰ প্ৰতি সকলোৱে সজাগ তথা সচেতন হ'ব লাগে। এটা কথা ধ্ৰুৱপ যে উপযুক্ত পৰিষ্কাৰ পৰিচ্ছন্নতাৰ অভাৱে মানসিক স্বাস্থ্যটো প্ৰভাৱ পেলায়।

মহিলাসকলৰ সৱলী-কৰণৰ বাবে বৰ্তমান চৰকাৰে বেচি বচাও বেটী পঢ়াও শীৰ্ষক কাৰ্য্যসূচী হাতত লৈছে। Environment Friendly চেনিটাৰী পেড ব্যৱহাৰৰ দ্বাৰা পেড নিষ্কাষণৰ ফলত হোৱা প্ৰদূষণৰ পৰা হাত সাৰিবলৈ চেষ্টা কৰা হৈছে।

ভৱিষ্যৎ প্ৰজন্ম গঢ়োতা এই কিশোৰী আৰু মাতৃসকলৰ স্বাভাৱিক জীৱনশৈলী সবল আৰু স্বাস্থ্যকৰে তথা আনন্দময় কৰাৰ বাবে আমি সকলো ৰাইজ, চৰকাৰ আৰু সকলো সংগঠন আগবাঢ়ি অহা উচিত।

## নূপুৰ

ৰশ্মি ৰেখা দুৱৰা



ইমান আন্তৰিকতা কিয় তোমাৰ
আলফুলকৈ খামুচি ধৰি মৰমেৰে বান্ধিলা
মিচিকনি হাঁহি মাৰি
মৌসনা চাৱনিৰে ওপচালা,
তোমাৰ মৰমত আতুৰ হৈ
ফুলিল আশাৰ মঞ্জুৰি
তোমাৰ ৰুনজুন ধ্বনিত
মোৰ দেহত বিয়পে অসংখ্য ভাৱনাই,
আগতে নিচিনিলোঁ তোমাক
তোমাৰ মৰমে যে আনন্দৰ বান নমাব পাৰে
উপলব্ধি কৰাৰ থল নাছিল মোৰ
শব্দতে যে প্ৰশান্তি আছে,
তুমিবিহীন মই নিঃসংগ
তোমাৰ নিভাঁজ মৰমৰ জোৰ আছে
'নূপুৰ', তোমাৰ আবুৰে কৰে দেখনিয়াৰ
প্ৰতিটো শব্দৰ মালাই গাঁঠে মাথোঁ মৰম।

## বন্দী সঁজাৰ পক্ষী

প্ৰাণ প্ৰতিমা বড়া,গুৱাহাটী



মাক-দেউতাকৰ একমাত্ৰ পৰীজনী সকলো গুণৰে অধিকাৰী আছিল। প্ৰতিভাশালী মানসিকতাত গঢ় লৈ উঠা পৰীজনী সেন্দুৰ পিন্ধি আনৰ ঘৰৰ বোৱাৰী হ'বৰেপৰা মুক্ত মনৰ পৰীজনী এতিয়া বন্দী সঁজাৰ পক্ষী।

# জলবায়ু পৰিৱৰ্তন আৰু বিশ্ব পৰিৱেশ দিৱস



**বন্দিতা শৰ্মা কন্দলি**

পৰিৱেশ বুলিলে আমি সাধাৰণতে আমাৰ চৌপাশৰ অৱস্থাটোকে বুজো। অৰ্থাৎ আমাৰ চাৰিওফালে থকা বায়ু, পানী, মাটি, উদ্ভিদ, প্ৰাণী, শিক্ষা, ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক ব্যৱস্থা আদিক বুজায়। সুস্থ বাতাৱৰণ আৰু সুস্থ পৰিৱেশতহে প্ৰাণী জিয়াই থাকিব পাৰে। বিশেষকৈ বায়ু, পানী, মাটি নহ'লে কোনো জীৱই জিয়াই থাকিব নোৱাৰে। নিৰ্দিষ্ট পৰিমাণত থকা কিছুমান বিশেষ উপাদান লগলাগিহে বায়ু, পানী আৰু মাটিৰ সৃষ্টি হৈছে। যদি বায়ু, পানী আৰু মাটিত থাকিবলগীয়া পদাৰ্থ সমূহ নাথাকে বা সঠিক পৰিমাণতকৈ বেছি থাকে বা অপ্ৰয়োজনীয় পদাৰ্থ সোমাইহি তেতিয়াই পৰিৱেশ প্ৰদূষিত হোৱা বুলি কোৱা হয়।

প্ৰদূষিত পৰিৱেশে বতৰৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলাইছে। সেয়ে কোনো কোনো ঠাইত অতি শীতল, কোনো কোনো ঠাইত জহ কালিৰ উষ্ণতা অতি বেছি হোৱা দেখা যায়। অতিপাত বৰষুণ আৰু ঠায়ে ঠায়ে খৰাং হোৱা দেখা যায়। এনে পৰিবৰ্তন হঠাৎ হোৱা নাই। ২০-২৫ বছৰৰ আগৰেপৰাই এনে পৰিবৰ্তন আৰম্ভ হ'বলৈ ধৰিছিল। বতৰৰ এনে পৰিবৰ্তনক জলবায়ু পৰিবৰ্তন বুলি কোৱা হয়। অৰ্থাৎ এখন ঠাইৰ দীৰ্ঘ সময়ৰ (২০-২৫ বছৰৰ), গড় বতৰৰ নমুনাকে সেই ঠাইৰ জলবায়ু বুলি কোৱা হয়। বৰ্তমান আমিও জলবায়ু পৰিবৰ্তনৰ মুখামুখি হ'ব লগাত পৰিছো।

জলবায়ুৰ পৰিৱৰ্তনৰ কাৰণ সমূহৰ ভিতৰত জীৱাশ্ম ইন্ধনৰ দহন, অৰণ্য ধ্বংস, ১১ বছৰীয়া চক্ৰৰ চৌম্বকীয় সৌৰকলংক আদিয়ে প্ৰধান। জীৱাশ্ম ইন্ধন অৰ্থাৎ কয়লা, পেট্ৰোলিয়াম আদি পোৰাৰ ফলত বায়ুমণ্ডলত কাৰ্বন ডাইঅক্সাইড, কাৰ্বন মন অক্সাইড, ছালফাৰ ডাই অক্সাইড, মিথেইন, নাইট্ৰাচ অক্সাইড আদি বিয়পি পৰে। এই গেছ সমূহে সূৰ্যৰ পোহৰ তললৈ আহিবলৈ দিয়ে, কিন্তু পৃথিৱীৰ পৰা নিৰ্গত হোৱা বিকীৰণ ধৰি ৰাখি বায়ুৰ উত্তাপ বৃদ্ধি কৰে। ইয়াকে সেউজ গৃহ পৰিঘটনা বোলা হয়। এই পৰিঘটনাৰ বাবে বায়ুমণ্ডলৰ উষ্ণতা অস্বাভাৱিক ভাবে বৃদ্ধি পায় আৰু অস্বাভাৱিক ভাবে কমেও।

আকৌ বায়ুমণ্ডলত বিয়পি থকা ধোঁৱা -ছাইৰ কণিকা আৰু ধূলিবোৰে অধিক মেঘৰ সৃষ্টি কৰে যদিও বৰষুণ হোৱাত বাধা দিয়ে। গছ গছনি কটাৰ ফলত সৃষ্টি হোৱা অত্যাধিক ধূলিয়েও মেঘ সৃষ্টিত বাধা দিয়ে। গছ গছনি কমি যোৱাৰ বাবে বায়ুমণ্ডলত অক্সিজেনৰ পৰিমাণ কমি যোৱাৰ লগতে কাৰ্বন ডাই অ'ইডৰ পৰিমাণ বাঢ়ি যাবলৈ ধৰিছে। ফলস্বৰূপে গোলকীয় উষ্ণতা বৃদ্ধি পাইছে।

পৃথিৱীয়ে সূৰ্যৰ চাৰিওফালে পৰিভ্ৰমণ কৰোঁতে সূৰ্য আৰু পৃথিৱীৰ মাজৰ দূৰত্বৰ তাৰতম্যৰ বাবেও উষ্ণতাৰ পৰিবৰ্তন হ'ব পাৰে। ১১ বছৰীয়া চক্ৰৰ চৌম্বকীয় সৌৰকলংকৰ সময়ছোৱাত পৃথিৱীয়ে সূৰ্যৰ পৰা অধিক উত্তাপ পায় বাবেও জলবায়ুৰ পৰিৱৰ্তন ঘটে। সৌৰকলংকৰ সংখ্যা যিমানেই বেছি হ'ব সিমানেই সূৰ্যটো শক্তি বিকিৰণৰ ক্ষেত্ৰত বেছি শক্তিশালী হ'ব। উদাহৰণ স্বৰূপে ১৯৮০ চনত আৰম্ভ হোৱা চৌম্বকীয় সৌৰকলংক ১৯৯১চনত শেষ হৈছে। ১৯৮০ চনতকৈ ১৯৯১ চনত বায়ুমণ্ডলৰ উষ্ণতা বৃদ্ধি পাইছে। ক্ৰমে ১৯৯১ ৰ পৰা ১১ বছৰীয়া চক্ৰৰ ২০০২ৰ পাছত ২০১৩ ত আৰম্ভ হৈছে আৰু ২০২৪ চনত ইয়াৰ পূৰ্ণ বিকাশ ঘটিছে। জলবায়ু পৰিবৰ্তনৰ ইয়ো এক কাৰণ।

যিহেতু সুস্থ পৰিৱেশত হে প্ৰাণী জিয়াই থাকিব পাৰে। সেয়ে পৰিৱেশ সুৰক্ষাৰ বাবে জনসাধাৰণক সচেতন কৰি তুলিবলৈ প্ৰতি বছৰে ৫ জুন তাৰিখে বিশ্ব পৰিৱেশ দিৱস পালন কৰি অহা হৈছে। একোটা বিশেষ বিষয়বস্তুৰ ওপৰত গুৰুত্ব প্ৰদান কৰি এই দিৱস পালন কৰা হয়। ২০২৪ বৰ্ষৰ পৰিৱেশ দিৱসৰ বিষয়বস্তু হৈছে land restoration, desertification and drought resilience. অৰ্থাৎ ভূমি উদ্ধাৰ, মৰুভূমিকৰণ আৰু খৰাং বতৰ প্ৰতিৰোধ কৰা। এই দিৱসৰ শ্লোগান হৈছে - আমাৰ মাটি আমাৰ ভৱিষ্যত।

মাটি পৰিৱেশৰ এক অপৰিহাৰ্য্য উপাদান। মাটিৰ জৈৱিক গুণ অক্ষুণ্ণ নাথাকিলে উদ্ভিদ, প্ৰাণী জিয়াই থকা অসম্ভৱ। সেয়ে সেউজীয়া গছ গছনি ৰোপন আৰু প্ৰতিপালন কৰি জীৱৰ লগত ভাৰসাম্য বজাই ৰাখিবলৈ পৰিৱেশ সুৰক্ষাৰ বিষয়টো অতি জৰুৰী হৈ পৰিছে। সৰুৰ পৰা ডাঙৰলৈ সকলোৱেই আমাৰ ভূমিক সুৰক্ষা প্ৰদান কৰিবলৈ সংকল্পবদ্ধ হওঁ আহক।

# মোৰ দেশ

**বাহাৰুল ইছলাম, মৰিগাঁও**



মোৰ তেজৰ কোষত সঞ্চাৰ হয়
মাতৃভূমিৰ প্ৰেম,
সৌন্দৰ্যেৰে পৰিপূৰ্ণ চুক-কোণ
যেন হৃদয়ৰ হেম।
নিলীম আকাশে আৱৰি আছে
জগতৰ প্ৰতিটো দেশ,
তুলনাহীন আপোন এই ভূমি
গুণৰো নাই শেষ।
সৰেমিলি যাম আগুৱাই
সেয়া প্ৰতিশ্ৰুতি,
বাধা-বিঘিনি নাহক যিমানেই
কদাপি নকৰোঁ ত্ৰুটি।
চৌপাশে আছে সোনোৱালী শইচৰ
আলফুলীয়া পথাৰ,
প্ৰতিটো পুৱাই কঢ়িয়াই আশা
নহওঁ আমি কাতৰ।
বিচাৰি ফুৰোঁ জীৱনৰ অৰ্থ
আপোন দেশৰ প্ৰতি,
ঐক্য আৰু সংহতিৰ বুকুত
সদা থাকোঁ ব্ৰতী।
বিচিত্ৰ দেশৰ অনন্য দৃশ্য
বৰ মজা লাগে,
ঐতিহাসিক সমলে কৰে সবল
নিতৌ দেশপ্ৰেম জাগে।
আকাশে-বতাহে মিলি আছে
সহস্ৰ শ্বহীদৰ তেজ,
দেশদ্ৰোহীক এশিকনি দি
ঘুণীয়া কৰিম নেজ।
দেশৰ স্বাৰ্থ নকৰোঁ খৰ্ব
পণ লোৱাৰ ক্ষণ,
আপোন ভূমিৰ স্বাভিমানৰ হকে
নিতৌ কৰিম ৰণ।

# সামাজিক মাধ্যম আৰু ইয়াৰ ভয়াবহতা




**চন্দনা পাটগিৰী**
**ৰঙিয়া মহাবিদ্যালয়, ৰাজনীতি বিজ্ঞান বিভাগ।**

বৰ্তমান সময়ত অতি জনপ্ৰিয় মাধ্যম হৈছে - ফেচবুক, হোৱাটছ্প আদি। ইয়াৰ পৰা বহুতো তথ্য আহৰণৰ লগতে ইয়াত নানান কথা শিকিব পৰা যায়। এইখিনি ইতিবাচক দিশক আমি উল্লেখ কৰিবই লাগিব। তাৰোপৰি ইয়াত মানুহ বহু প্ৰকাৰৰ থাকে। এচাম থাকিব - নিজক যিমান পাৰি সাধু দেখুওৱাৰ চেষ্টা চলাব। কবিতা হওঁক, গল্পই হওঁক এনেদৰে লিখিব যাতে সেয়া পঢ়ি এটা ভাব হয় যে মানুহজন অতি অমায়িক। এচাম থাকিব নাৰীৰ বিষয়ে এনেকৈ লিখিব যেন তেওঁ নাৰীক দেৱীৰ দৰে গণ্য কৰে। এতিয়া আহো মূল কথালৈ - এই যে মানুহবোৰ তেওঁলোকে সামাজিক মাধ্যমত লিখা আৰু বাস্তৱ জীৱনৰ মাজত একাংশৰে বহুত বেছি পাৰ্থক্য থাকে। এটা লিখনিয়ে মানুহৰ ব্যক্তিত্ব প্ৰকাশ নকৰে। এনেকুৱা লোক আছে যিয়ে নাৰীৰ বিষয়ে ইমান সুন্দৰকৈ লিখে অথচ দিনটোৰ মুৰত মাকক ফোন এটা কৰি খবৰ লবলৈ আহৰি নাই। মাকে খাইছে নে নাই তাৰ কোনো গুৰুত্ব নাই। এনেকুৱাও আছে মানুহৰ আগত বিভিন্ন ধৰণেৰে নিজক নম্ৰ, ভদ্ৰ দেখাই প্ৰলোভিত কৰি নিজৰ স্বাৰ্থ আদায় কৰে। এই যে আনক দেখুওৱা মানুহ কিছুমান আছে, পাৰিলে তেঁওলোকৰ পৰা দূৰত থাকক। বহুত বেছি নাৰীক সন্মান কৰা দেখাই ফুৰা মানুহবোৰ অতি বিষাক্ত। অতি ভক্তি চোৰৰ লক্ষণ বুলি যে কথা এযাৰ আছে সেয়াই। মানুহৰ দুৰ্বলতাৰ সুযোগ লবলৈ নাপাহৰে- এই শ্ৰেণীটোৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# লোকসভা নিৰ্বাচনৰ এগ্‌জিট

আদি ৰাজ্যত বিজেপি আৰু তেওঁলোকৰ সন্মিলিত দলসমূহে অভাৱনীয় সফলতা লাভ কৰাৰ পূৰ্বানুমান কৰা হৈছে। তেলেংগানা, ঝাৰখণ্ড, ছত্তিশগড়, হিমাচল প্ৰদেশ, উত্তৰাখণ্ড আদি ৰাজ্যত বিজেপি শক্তিশালী স্থিতিত আছে। ইপিনে মধ্যপ্ৰদেশ, কৰ্ণাটক, ৰাজস্থান আদি ৰাজ্যত এনডিএই প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে ইণ্ডি জোঁটৰ সৈতে। প্ৰধানমন্ত্ৰীৰ গৃহৰাজ্য গুজৰাটত ক্লীন ছুইপ কৰাৰ বিপৰীতে উত্তৰ প্ৰদেশতো বিজেপিয়ে ভাল ফল দেখুৱাব। এগজিট প'ল অনুসৰি দেশৰ ৰাজধানী দিল্লীত বিজেপিয়ে এখন আসন হেৰুৱাই ৬খন আসনত জয়লাভ কৰাৰো পূৰ্ণ সম্ভাৱনা আছে। পঞ্জাবত বিজেপিৰ স্থিতি কিছু দুৰ্বল বুলি এগ্‌জিট প'লত প্ৰকাশ পাইছে। আনহাতে পশ্চিমবংগত শাসকীয় তৃণমূল কংগ্ৰেছক তীব্ৰ প্ৰত্যাহ্বান জনাই বিজেপিয়ে এইবাৰ পূৰ্বতকৈ অধিক আসন লাভ কৰাৰ সম্ভাৱনা এগ্‌জিট প'লত প্ৰকাশ পাইছে। পূৰ্বানুমান অনুসৰি পশ্চিমবংগৰ ৪২খন আসনৰ ভিতৰত মমতা বেনাৰ্জীক প্ৰত্যাহ্বান জনাই বিজেপিয়ে ২২ খনতকৈ অধিক আসন লাভ কৰাৰ সম্ভাৱনা আছে। গোৱাৰ দুখন আসন বিজেপিয়ে লাভ কৰিব বুলি পূৰ্বানুমান কৰা হৈছে। দেশবাসীৰ দৃষ্টি নিবদ্ধ হৈ থকা মহাৰাষ্ট্ৰ আৰু বিহাৰতো বিজেপিৰ স্থিতি শক্তিশালী হৈ আছে। দুয়োখন ৰাজ্যতে বিজেপিয়ে বিগত লোকসভা নিৰ্বাচনৰ দৰেই নিজৰ স্থিতি বাহাল ৰাখিব। জম্মু-কাশ্মীৰত বিজেপি নেতৃত্বাধীন এনডিএই আশানুৰূপ ফলাফল দেখুৱাবলৈ সক্ষম হ'ব বুলি পূৰ্বানুমান কৰা হৈছে। ইপিনে উত্তৰ-পূৰ্বাঞ্চলতো বিজেপি নেতৃত্বাধীন এনডিএৰ স্থিতি অতি শক্তিশালী। অসমত এনডিএ ১২খন, কংগ্ৰেছ এখন, অন্যান্যই এখন আসন লাভ কৰাৰ বিপৰীতে উত্তৰ-পূবৰ ২৫খন আসনৰ এনডিএই পাব ১৬ পৰা ২১খন আসন। এগ্‌জিট প'লৰ তথ্য অনুসৰি দৈনিক ভাস্কৰৰ মতে এনডিএই ২৮১- ৩৫০, ইণ্ডি জোঁটে ১৪৫-২০১ আৰু অন্যানই ৩৩-৪৯খন আসন পাব। ইণ্ডিয়া নিউজ-ডি ডায়নেমিক্স অনুসৰি এনডিএই ৩৭১, ইণ্ডি জোঁটে ১২৫ আৰু অন্যান্যই ৪৭, জন কী বাটৰ মতে, এনডিএই ৩৬২-৩৯২, ইণ্ডি জোঁটে ১৪১-১৬১, নিউজ নেচন অনুসৰি ৩৪২-৩৭৮, ইণ্ডি জোঁট ১৫৩-১৬৯, ৰিপাব্লিক ভাৰত মেট্ৰিজৰ মতে, এনডিএই ৩৫৩-৩৬৮, ইণ্ডি জোঁটে ১১৮-১৩৩ আৰু অন্যান্যই ৪৩-৪৮খন আসন পাব। তেনেদৰে ৰিপাব্লিক টিভি- পি মাৰ্কৰ এগ্‌জিট প'ল অনুসৰি এনডিএই ৩৫৯, ইণ্ডি জোঁটে ১৫৪ আৰু অন্যান্যই ৩০খন আসন লাভ কৰিব। এগ্‌জিট প'ল অনুসৰি ইণ্ডিয়া টুডে'ৰ সমীক্ষাত এনডিএই ৩৭১-৪০১ আৰু ইণ্ডি জোঁটে ১০৯-১৩৯, নিউজ চাণক্যৰ মতে, এনডিএই ৪০০ আৰু ইণ্ডি জোঁটে ১০৭খন আসন লাভ কৰিব। আজ টকৰ সমীক্ষাত এনডিএই ২৫৯-২৯২ আৰু ইণ্ডি জোঁটে ৰ২৯-১৫৬, চিএনএনৰ মতে, এনডিএই ৩৫৫-৩৭০ আৰু ইণ্ডি জোঁটে ১২৫-১৪০,টাইমছ নাওৰ মতে, এনডিএই ৩৫৮ আৰু ইণ্ডি জোঁটে ১৫২, এবিপি চিভোটাৰ্ছৰ মতে, এনডিএই ৩৫৩-৩৮৩ আৰু ইণ্ডি জোঁটে ১৫২-১৮২ আৰু এনডি টিভিৰ মতে, এনডিএই ৩৬৫ আৰু ইণ্ডি জোঁটে ১৪২খন আসন লাভ কৰিব। লক্ষণীয় যে চিএনএনৰ মতে, বিজেপিয়ে অকলে ৩০৫ৰ পৰা ৩১৫খন আসন আৰু কংগ্ৰেছে ৬২ৰ পৰা ৭২খন আসন লাভ কৰিব। প'ল অৰ প'লছৰ এই সম্ভাৱনা অহা৪ জুনত আনুষ্ঠানিক ফলাফলত সত্যাসত্য নিৰ্ণয় হ'ব।

# বৰাকত বানৰ কালৰূপ

নিশাৰীৰ বাঢ়নী পানীয়ে অৰ্ধশতাধিক গাঁও বুৰাই পেলাইছে। আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল যে এতিয়াও শিলচৰ-গুৱাহাটীৰ মাজত পথ যোগাযোগ সুচল হৈ উঠা নাই। ৬নং ৰাষ্ট্ৰীয় ঘাইপথ বন্ধ হৈ থকাৰ ফলত যোগাযোগ ব্যৱস্থা ব্যাহত হৈ আছে। সেইদৰে লামডিং ৰে'লৰে সংমণ্ডলে বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখিয়েই বাতিল কৰিছে কেইবাখনো ৰে'লৰ চলাচল। সামগ্ৰিকভাৱে ৰাজ্যৰ ১০খন জিলাৰ অন্তৰ্গত ২৫টা ৰাজহ চক্ৰ এলেকা সম্প্ৰতি পানীৰ তলত। এই জিলাকেইখন হ'ল- হাইলাকান্দি, হোজাই, মৰিগাঁও, কৰিমগঞ্জ , নগাঁও, কাছাৰ, ডিব্ৰুগড়, গোলাঘাট, পশ্চিম কাৰ্বি আংলং আৰু ডিমা হাছাও। জেঠমহীয়া বানে ঘৰ- দুৱাৰকে ধৰি বিস্তীৰ্ণ কৃষিভূমি জলমগ্ন কৰাৰ ফলত হাহাকাৰ অৱস্থা হৈছে ৬ লক্ষাধিক বন্যাৰ্তৰ। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে প্ৰকাশ কৰা তথ্য অনুসৰি উক্ত ১০ জিলাত বন্যাৰ্তৰ সংখ্যা হৈছে ৬,০১,৬৪২জন। সেইদৰে বানত জাহ গৈছে ৪, ৮৭৮.৫ হেক্টৰ কৃষিভূমি। কালৰূপ ধাৰণ কৰা বানে কাছাৰ, কৰিমগঞ্জ আৰু হাইলাকান্দিত এটি কিশোৰসহ পুনৰ তিনিজনৰ প্ৰাণ কাঢ়িলে। ইয়াৰ লগে লগে এইবাৰৰ বানত মৃত্যু হোৱা লোকৰ সংখ্যা ১১ জনলৈ বৃদ্ধি হয়। হাইলাকান্দিৰ বাঙালপুৰৰ খুলিচৰাত বানপানীত উপচি পৰা এটা খালত পৰি লুটফুৰ ৰহমান লস্কৰ নামৰ এজন লোকৰ মৃত্যু ঘটে। ভৰি ধুবলৈ গৈ উপচি পৰা পানীত মৃত্যু হোৱা লস্কৰৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। দক্ষিণ কৰিমগঞ্জৰ বান্দৰকোনাত বানে উটুৱাই নিয়ে ছাহিদুল আলম লস্কৰ নামৰ এজন ২০ বছৰীয়া যুৱকক। পুৱা মাছ মাৰিবলৈ গৈ পানীত পৰা যুৱকজনৰ মৃতদেহ পৰৱৰ্তী সময়ত উদ্ধাৰ কৰা হয়। কাছাৰ জিলাৰ লক্ষীপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত লাবকত সলিল সমাধি ঘটে এটি কিশোৰৰ। ঘৰৰ সমীপত সমনীয়াৰ সৈতে খেলি থকা অৱস্থাত শ্যামকুমাৰ পানিকা নামৰ ১৪ বছৰীয়া কিশোৰটি পানীত পৰি যায়। এছডিআৰএফৰ দলে পিছত অভিযান চলাই কিশোৰটিৰ মৃতদেহ উদ্ধাৰ কৰে।

# পাক অধিকৃত কাশ্মীৰ

অধিকৃত, কাশ্মীৰৰ বাসিন্দাসকলে। বিক্ষোভ দমন কৰিবলৈ গৈ সংকটত পৰিছে পাক চৰকাৰ। এনে পৰিস্থিতিত পাক অধিকৃত কাশ্মীৰত সঘনে আন্দোলনকাৰীক বন্দী কৰা, শাৰীৰিক আতিশয্য চলোৱা আদি ঘটনাবোৰ ঘটি আছে। শেহতীয়াকৈ পাক অধিকৃত কাশ্মীৰত কাৰাবন্দী হৈছে সাংবাদিক তথা কাশ্মীৰী কবি আহমেদ ফাৰহাদ শ্বাহ। এই সম্পৰ্কীয় এক গোচৰত ফাৰহাদক ইছলামাবাদ উচ্চন্যায়ালয়ত হাজিৰ কৰোৱাৰ নিৰ্দেশ দিছিল বিচাৰকে। ইয়াৰ পৰিপ্ৰেক্ষিতত পাক চৰকাৰৰ অধিবক্তাই স্পষ্ট ভাষাত জনাই দিয়ে যে ফাৰহাদ বৰ্তমান অধিকৃত কাশ্মীৰৰ আৰক্ষীৰ জিম্মাত আছে। এই অঞ্চলটোত বৈদেশিক অঞ্চলভুক্ত বুলি অধিবক্তাগৰাকীয়ে উল্লেখ কৰে। অৰ্থাৎ এই অঞ্চলটো কোনোধৰণে পাকিস্তানৰ আইন- শৃংখলা ব্যৱস্থাৰ আওতালৈ নাহে বুলি স্পষ্ট কৰি দিছে অধিবক্তাগৰাকীয়ে। পাক চৰকাৰে দাবী কৰা অনুসৰি এই অঞ্চলত পাকিস্তানৰ - চৰকাৰৰ সৈতে আলোচনাভুক্ত এখন চৰকাৰ চলি আছে। গতিকে পাক অধিকৃত কাশ্মীৰত পাকিস্তানৰ আইন-শৃংখলা কোনো কাৰণতে বলৱৎ নহয়। ইয়াৰ পাছতে আদালতৰ তৰফৰ পৰা প্ৰশ্ন কৰা হয় যে অধিকৃত কাশ্মীৰ যদি পাকিস্তানৰ অংশ নহয়, তেনেহ'লে কেনেদৰে পাকিস্তানৰ সেনা আৰু পাক ৰেঞ্জাৰ্ছে এই অঞ্চলটোত প্ৰৱেশ কৰিলে। তাৰ উত্তৰ চৰকাৰী অধিবক্তাগৰাকীয়ে অৱশ্যে দিয়া নাই। ইফালে, এই ঘটনাক লৈ আন্তৰ্জাতিক ৰাজনীতিত সৃষ্টি হৈছে ব্যাপক চৰ্চা।

দুই পৃষ্ঠাৰ পৰা...

# ৰাজ্যবাসীক দুৰ্যোগত

অসমৰ ৰাজ্যিক কাৰ্যালয়ত অনুষ্ঠিত সংবাদমেলত এইদৰে মত প্ৰকাশ কৰে আপ অসমৰ ৰাজ্যিক সভাপতি ডাঃ ভবেন চৌধুৰীয়ে। উল্লেখ্য যে সম্প্ৰতি বানৰ কবলত পৰা বৰাক উপত্যকাৰ হাইলাকান্দিত বৃহস্পতিবাৰে আজিবন নেছা মজুমদাৰ নামৰ এগৰাকী ৭০ বছৰীয়া বৃদ্ধা আৰু আবুল হুছেইন বৰভুঞা নামৰ এজন ৩০ বছৰীয়া যুৱকক বাঢ়নী পানীয়ে উটুৱাই নিয়ে। চৰকাৰী তথ্য অনুসৰি ৰাজ্যৰ চ লাখ লোক বানৰ কবলত পৰিছে। কিন্তু বৰ্তমানলৈকে চৰকাৰে এই সকল লোকক যথোপযুক্তভাৱে সাহায্য দিয়াত ব্যৰ্থ হৈছে। আম আদমী পাৰ্টিয়ে শীঘ্ৰেই পৰিস্থিতি মোকাবিলা কৰি বানত ক্ষতিগ্ৰস্ত হোৱা হাইলাকান্দি, নগাঁও,হোজাই, কাৰ্বি আংলং, পশ্চিম কাৰ্বি আংলং, ডিমা হাছাও, কাছাৰ, কৰিমগঞ্জ , হাইলাকান্দি জিলাৰ প্ৰশাসনক জৰুৰী কালীন ক্ষিপ্ৰতাৰে ব্যৱস্থা গ্ৰহণৰ দাবী জনায়। তদুপৰি, বিগত ২৫ মে'ত মাৰ্ঘেৰিটাৰ কয়লাখনিত নিহত তিনিগৰাকী শ্ৰমিকৰ মৃতদেহ উদ্ধাৰত চৰকাৰৰ ব্যৰ্থতাৰ বিৰুদ্ধে সৰব হয় আপ, অসমৰ সভাপতি ডাঃ ভবেন চৌধুৰী । লিডুৰ টিকক কলীয়ৰী ৰেষ্ট আৰু নামদাঙৰ মাজত থকা অবৈধ ৰেট হোলত আৰদ্ধ হৈ বহিঃৰাষ্ট্ৰ নেপালৰ দাৱা শ্বেৰ্পা, মেঘালয়ৰ জন আৰু ফিনাল নামৰ শ্ৰমিক কেইজনৰ মৃতদেহ বৰ্তমানলৈকে চৰকাৰে উদ্ধাৰ কৰিব পৰা নাই। শাসনাধিষ্ঠিত মহলৰ পৃষ্ঠপোষকতাত মাৰ্ঘেৰিটাৰ এই অবৈধ কয়লাখনন চলি আছে। কিন্তু চৰকাৰখনে খনিত নিহত শ্ৰমিকৰ জীৱনৰ নিৰাপত্তাৰ বিষয়ে চিন্তা কৰা নাই। ইয়াৰ পূৰ্বেও মাকুমৰ প্ৰাঞ্জল মৰাণ নামৰ এজন শ্ৰমিকৰ মৃত্যু হৈছিল। আমি নিহত শ্ৰমিকৰ মৃতদেহ উদ্ধাৰৰ লগতে অবৈধ কয়লাখনিৰ সৈতে জড়িত সকলো পক্ষৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনাওঁ। আপৰ সভাপতি গৰাকীয়ে অবৈধ কয়লাখনন সন্দৰ্ভত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰা মন্তব্যৰ তীব্ৰ সমালোচনা কৰে। মুখ্যমন্ত্ৰীয়ে অসমত অবৈধ কয়লাখনন চলি থকা নাই বুলি দাবী কৰিছিল। লিডু-মাৰ্ঘেৰিটাৰ ৰেট হোলত শ্ৰমিকৰ মৃত্যু সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে উত্তৰ দিয়া উচিত। শাসক দলৰ ক্ষমতাশালী লোক ছিণ্ডিকেটৰ সৈতে জড়িত থকাৰ বাবেই এই ক্ষেত্ৰত গা এৰা দিয়া মন্তব্য প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। সংবাদমেলত ডাঃ ভবেন চৌধুৰীৰ উপৰি দলৰ ৰাজ্যিক সাধাৰণ সম্পাদক ভিক্টৰ গগৈ আৰু মিডিয়া বিভাগৰ সম্পাদক আমিৰ হুছেইন উপস্থিত থাকে।

# অসম আন্দোলনৰ

সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ সময়ত মুকুল দাসে সদৌ অসম ছাত্ৰ সন্থাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। পৰৱৰ্তী সময়ত আঞ্চলিকতাবাদত বিশ্বাসী মুকুল দাসে অসম গণ পৰিষদত যোগদান কৰি বৰপেটা পৌৰসভাৰ পৌৰপতি হিচাপে নিৰ্বাচিত হৈছিল। উল্লেখযোগ্য যে, অসম আন্দোলনৰ সময়ত সেইসময়ৰ শাসক পক্ষই মুকুল দাসক কেইবাবাৰো পুলিচৰ হতুৱাই নিৰ্মম অত্যাচাৰ কৰাৰ ফলত তেওঁৰ এখন ভৰি চিৰদিনৰ বাবে অকামিলা হৈ পৰিছিল। আছুৰ পৰা অব্যাহতি লোৱাৰ পিছত মুকুল দাসে অগপত যোগ দি বৰপেটা পৌৰসভাৰ পৌৰপতিৰ দায়িত্ব বহন কৰিছিল । অগপৰ জ্যেষ্ঠ নেতা মুকুল দাসৰ মৃত্যুত বিভিন্ন দল-সংগঠনে শোকপ্ৰকাশ কৰিছে ।

তিনি পৃষ্ঠাৰ পৰা...

# 'সাহস'ৰ উদ্যোগত

পৰিৱেশজনিত প্ৰভাৱৰ বিষয়ে অনুষ্ঠানত আলোচনা কৰাৰ লগতে মহিলা সকলৰ স্বাস্থ্য আৰু পৰিৱেশ সম্পৰ্কীয় সজাগতাৰ প্ৰতি লক্ষ্য ৰাখি সাহসে মেনষ্ট্ৰুৰেল কাপ আৰু ক্লথ পেড ব্যৱহাৰৰ বাবে সকলোকে আহ্বান জনায়। উক্ত অনুষ্ঠানত সাহস মাজুলীয়ে বিশ্ব ঋতুস্ৰাৱ স্বচ্ছতা দিৱসৰ শুভকামনা জনাই মুঠ ১৩ গৰাকী মহিলা আৰক্ষী বিষয়াক ক্লথ পেড প্ৰদান কৰে। উল্লেখ্য যে, সাহসে ভাৰতৰ বিভিন্ন ৰাজ্যত জাবৰ ব্যৱস্থাপনাৰ ওপৰত কাম কৰি থকাৰ লগতে মাজুলীতো 'স্বচ্ছ মাজুলী মোৰ মাজুলী' প্ৰকল্পৰ অধীনত যোৱা ফেব্ৰুৱাৰী মাহৰ পৰা শুকান জাবৰ ব্যৱস্থাপনাৰ বাবে কাম কৰি আছে।

চাৰি পৃষ্ঠাৰ পৰা...

# দৰঙত জিলা

প্ৰশিক্ষণৰ ব্যৱস্থা কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। কৃষি বিভাগৰ পিএম কিষাণ, পিএম ফচল বীমা যোজনা আদি বিভিন্ন আঁচনিৰ খতিয়ান গ্ৰহণ কৰি জিলা আয়ুক্তগৰাকীয়ে কয় যে দৰং জিলাই ধান ক্ৰয়ৰ দিশত লাভ কৰা সফলতাৰ দৰে সৰিয়হ ক্ৰয়ৰ ক্ষেত্ৰতো সফলতা লাভ কৰিব লাগিব। এই সভাখনত বিভিন্ন বিভাগসমূহৰ জিলা পৰ্যায়ৰ মুৰব্বী বিষয়াসকলে বিভাগীয় কাম-কাজৰ অগ্ৰগতিৰ বিষয়ে পাৱাৰপইন্ট প্ৰেজেনটেশ্বনৰ জৰিয়তে অৱগত কৰে। উক্ত এই পৰ্যালোচনা সভাত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মানস দাস, জিলা উন্নয়ন আয়ুক্ত পংকজ কুমাৰ ডেকাৰ লগতে জিলাখনৰ বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত থাকে।

## ENGLISH NEWS SECTION

# Raj Bhavan celebrates statehood day of Goa



Guwahati, RB News- In continuation with celebrating the spirit of Statehood days of different states and Union Territories of the nation, Raj Bhavan, Assam today observed Goa Statehood Day at a function held in the conference hall of Raj Bhavan. The function celebrates the close and inherent ties between Assam and Goa and their cultural heritage. Speaking on the occasion, Manager of Saint Xavier's school, Pamohi Fr.Josely Fernandes said that Goa has a profound connection with nature and embodies the harmonious coexistence of India's major religions. He said that regardless of which part of the globe a visitor belongs to, Goa treats everyone well, living up to the ethos of "Atithi Devo Bhava". He also said that the lush green landscape of the Western Ghats, cascading waterfalls, beautiful beaches, and serene backwaters make Goa a sought-after destination for everyone. The presence of temples and churches side by side exemplifies the message of mutual respect and harmonious coexistence.

# BCCI announces India Women's squad for series against South Africa

RB News- The Women's Selection Committee on Thursday announced India's squad for the upcoming multi-format IDFC First Bank series against South Africa. India and South Africa will play three ODIs, three T20ls, and one Test in this multi-format series. Veterans Harmanpreet Kaur and Smriti Mandhana are the Team India captain and vice-captain for the series.

# BCCI to maintain 3+1 retention rule for IPL 2025 auction




RB News- Following the conclusion of the 2024 Indian Premier League season, where Kolkata Knight Riders secured their third title, the Board of Control for Cricket in India (BCCI) is inclined to maintain its existing 3+1 retention policy for the 2025 auction. This decision is based on recent deliberations about the form of retention that will be used in the upcoming edition.

# Dinesh Karthik retires from all forms of cricket



RB News- Wicketkeeper-batter Dinesh Karthik officially announced his retirement from all forms of cricket on Saturday. Karthik last played for Royal Challengers Bengaluru in the IPL 2024 Eliminator last month, and last represented India in the 2022 T20 World Cup group game against Bangladesh. "I've been overwhelmed by the affection, support and love I have received in the last few days. My deepest gratitude and sincere thanks to all the fans who have made this feeling possible," Karthik said in his retirement note posted on X. "Having given it plenty of thought for some time now, I have decided to move on from playing representative cricket. I officially announce my retirement and put my playing days behind me as I square up for the new challenges that lie ahead."Karthik played for India in 180 international matches between 2004 and 2022, scoring 3,463 runs.

# Brydon Carse banned from cricket over betting offences



RB News- England fast bowler Brydon Carse has been banned after an investigation by the Cricket Regulator found that he had placed hundreds of bets on cricket matches between 2017 and 2019. There is no suggestion that Carse, who last played for England in December 2023, has ever bet on a match that he has had any involvement in.

# USA beat Canada in T20 World Cup 2024 opener




RB News- USA defeated Canada by seven wickets in T20 World Cup 2024 opener in Dallas. USA chased down the target of 195 runs in 17.3 overs to record their highest-ever successful chase in T201 cricket. USA's Aaron Jones scored 94*(40), including four fours and 10 sixes. It was both USA and Canada's debut match in T20 World Cup history.

# India beat Bangladesh in T20 WC 2024 warm-up match



RB News- India defeated Bangladesh by 60 runs in their T20 World Cup 2024 warm-up match in New York. Rishabh Pant, playing in India jersey for the first time in 17 months, scored 53(32), including four fours and four sixes. India put up a total of 182/5 and restricted Bangladesh to 122/9. Arshdeep Singh and Shivam Dube took 2 wickets each.

# ভাৰতীয় মহিলা ক্ৰিকেট দলত পুনৰ স্থান লাভ উমা চেত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰতীয় মহিলা ক্ৰিকেট দলত পুনৰ স্থান লাভ কৰিলে অসম কন্যা উমা চেত্ৰীয়ে। চীনত অনুষ্ঠিত এছিয়ান গেমছৰ স্বৰ্ণজয়ী ভাৰতীয় দলটোৰ সদস্য উমা চেত্ৰীয়ে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলিবলগীয়া দ্বিপাক্ষিক শৃংখলাত দেশক প্ৰতিনিধিত্ব কৰিব। ঘৰুৱা দল ভাৰতে দক্ষিণ আফ্ৰিকাৰে এখন টেষ্ট, তিনিখন এদিনীয়া আৰু তিনিখন টি-২০ মেচত ভাগ ল'ব আৰু এই তিনিওটা শৃংখলাৰ বাবে ঘোষিত ভাৰতীয় দলটোত স্থান লাভ কৰিবলৈ সক্ষম হৈছে অসম কন্যা উমা চেত্ৰী। তিনিওটা শৃংখলাৰ বাবে ঘোষিত ভাৰতীয় দললৈ প্ৰথমবাৰৰ বাবে নিৰ্বাচিত হৈ অনন্য কৃতিত্ব অৰ্জন কৰে প্ৰতিভাৱান উইকেটকীপাৰ-বেটাৰ উমা চেত্ৰীয়ে। ১৬ জুনৰ পৰা বেংগালুৰুত আৰম্ভ হ'ব তিনিখনীয়া এদিনীয়া মেচৰ শৃংখলাটো। আনহাতে, একমাত্ৰ টেষ্ট মেচখনৰ লগতে তিনিখনীয়া টি-২০ মেচৰ শৃংখলাটো চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। ভাৰতীয় দললৈ পুনৰবাৰ নিৰ্বাচিত হোৱাৰ বাবে অসম ক্ৰিকেট সন্থাৰ সভাপতি তৰংগ গগৈ আৰু সম্পাদক ত্ৰিদীব কোঁৱৰে উমাক শুভেচ্ছা জনাই কয় যে উঠি অহা খেলুৱৈগৰাকীয়ে আগলৈও কঠোৰ পৰিশ্ৰম কৰি যাব আৰু তেনেদৰে ভৱিষ্যতে সফলতাৰ নতুন শিখৰলৈ উঠিবলৈ সক্ষম হ'ব। আমাৰ খেলুৱৈসকলক যথাসাধ্য সহায় কৰিবলৈ আমি সদায়েই সাজু থাকোঁ। উমা চেত্ৰীৰ উন্নতি দেখি আমি অতিশয় আনন্দিত। আমি আশা কৰিম যে উমাৰ সফলতাই ৰাজ্যৰ আন মহিলা খেলুৱৈসকলকো খেলা-ধূলাত অধিক মনোযোগ দিয়াৰ লগতে পাৰদৰ্শিতা দেখুৱা বলৈ উৎসাহিত কৰিব। দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে আগন্তুক ছিৰিজৰ বাবে উমা আৰু ভাৰতীয় দলে ভাল প্ৰদৰ্শন দাঙি ধৰক, তাৰ বাবে আমাৰ আন্তৰিক শুভেচ্ছা জনালোঁ।

# পেৰিছ অলিম্পিকলৈ যোগ্যতা অৰ্জন নিশান্ত দেৱৰ



ৰঙিলী বাৰ্ত্তাসেৱা- পেৰিছ অলিম্পিকলৈ ভাৰতৰ প্ৰথমগৰাকী পুৰুষ বক্সাৰ হিচাপে যোগ্যতা অৰ্জন কৰিলে নিশান্ত দেৱে। বেংককত চলি থকা বিশ্ব বক্সিং অলিম্পিক কোৱালিফায়াৰৰ ছেমিফাইনেলত প্ৰৱেশ কৰি পেৰিছ অলিম্পিকলৈ যোগ্যতা অৰ্জন কৰিলে নিশান্তে। উল্লেখ্য যে পেৰিছ অলিম্পিকলৈ চতুৰ্থগৰাকী ভাৰতীয় বক্সাৰ হিচাপে যোগ্যতা অৰ্জন কৰে নিশান্তে। নিশান্তৰ পূৰ্বে নিখাট জাৰিন, প্ৰীতি পাৱাৰ আৰু অসম কন্যা লাভলীনা বৰগোহাঞিয়ে পেৰিছ অলিম্পিকলৈ যোগ্যতা অৰ্জন কৰিছিল। বিশ্ব বক্সিং চেম্পিয়নশ্বিপত ব্ৰঞ্জৰ পদক জয়ী নিশান্তে ৭১ কেজিৰ কোৱাৰ্টাৰ ফাইনেলত ম'লড'ভাৰ ভাছিল চেব'টাৰিক ৫- ০ৰ ব্যৱধানত পৰাস্ত কৰি প্ৰতিযোগিতাখনৰ ছেমিফাইনেলত স্থান নিশ্চিত কৰে। ইফালে, অসম কন্যা অংকুশিতা বড়োৰ পেৰিছ অলিম্পিকত খেলাৰ স্বপ্ন ধূলিসাৎ হয়। প্ৰতিযোগিতাখনৰ কোৱাৰ্টাৰত অভিযান সামৰে অংকুশিতাই।

# ৩৫ ৰানত অষ্ট্ৰেলিয়াক পৰাস্ত ৱেষ্ট ইণ্ডিজৰ



ৰঙিলী বাৰ্ত্তাসেৱা- আইচিচি টি-২০ বিশ্বকাপৰ পূৰ্বে অনুষ্ঠিত বাৰ্মআপ মেচত ৱেষ্ট ইণ্ডিজে অষ্ট্ৰেলিয়াক ৩৫ ৰানত পৰাস্ত কৰে। মেচখনত ৱেষ্ট ইণ্ডিজে জয়ৰ বাবে বান্ধি দিয়া ২৫৮ ৰানৰ লক্ষ্য অনুসৰণ কৰিবলৈ আহি জ'ছ ইংলিছৰ ৫৫, নাথান ইলিছৰ ৩৯ আৰু এষ্ট'ন আগৰৰ ২৮ ৰানৰ সহায়ত অষ্ট্ৰেলিয়াই নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ২২২ ৰান কৰে। টিম ডেভিদ আৰু মেথিউ ৱেড উভয়ে ২৫ ৰানৰ অবিহণা আগবঢ়ায়। অপেনাৰ ডেভিদ ৱাৰ্নাৰে ১৫ আৰু অধিনায়ক মিছেল মাৰ্শ্বে মাত্ৰ ৪ ৰান কৰি বিদায় লয়। ৱেষ্ট ইণ্ডিজৰ হৈ আলজাৰি জোছেফ আৰু গুডাকেছ ম'টি উভয়ে সৰ্বাধিক দুটাকৈ উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰিবলৈ আহি নিক'লাছ পুৰানৰ ২৫ বলত বিস্ফোৰক ৭৫, অধিনায়ক ৰ'ভমান পাৱেলৰ ২৫ বলত ৫২, শ্বেৰফান ৰাডাৰফ'ৰ্ডৰ ১৮ বলত দুৰ্দান্ত অপৰাজিত ৪৭ ৰানৰ সহায়ত ৱেষ্ট ইণ্ডিজে নিৰ্ধাৰিত ২০ অভাৰত চাৰিটা উইকেট হেৰুৱাই ২৫৭ৰান কৰে। অষ্ট্ৰেলিয়াৰ হৈ আদাম জাম্পাই সৰ্বাধিক দুটা উইকেট লাভ কৰে।

# আৰ প্ৰজ্ঞানন্দৰ হাতত পৰাস্ত মেগনাছ কাৰ্লছেন



ৰঙিলী বাৰ্ত্তাসেৱা- অপ্ৰতিৰোধ্য হৈ পৰিছে বিশ্ব দবাৰ নৱতম চাঞ্চল্য তথা ভাৰতীয় গ্ৰেণ্ড মাষ্টাৰ আৰ প্ৰজ্ঞানন্দ। এইবাৰ ১৮ বছৰীয়া খেলুৱৈগৰাকীৰ হাতত পৰাস্ত বিশ্ব ৰেংকিঙৰ শীৰ্ষত থকা নৰৱেৰ জিএম মেগনাছ কাৰ্লচেন। নৰৱেত অনুষ্ঠিত দবা প্ৰতিযোগিতাৰ তৃতীয় ৰাউণ্ডত আৰ প্ৰজ্ঞানন্দৰ এই সফলতা । প্ৰতিযোগিতাখনত প্ৰজ্ঞানন্দই তিনি ৰাউণ্ডৰ অন্তত ৫.৫ পইণ্টৰ সৈতে শীৰ্ষ স্থানত আছে। আনহাতে বগা ৰঙৰ সৈতে খেলি থকা প্ৰজ্ঞানন্দই এই জয়ৰ সৈতে কাৰ্লচেনটেলীৰ পঞ্চম স্থানত উপনীত হৈছে। ১৮ বছৰীয়া ভাৰতীয় এই দবা খেলুৱৈগৰাকীয়ে ইয়াৰ পূৰ্বেও ৰেপিড আৰু ব্লিটজ দবা খেলত কাৰ্লছেনৰ বিৰুদ্ধে জয়লাভ কৰিছিল যদিও ক্লাছিক দবাত প্ৰথমবাৰৰ বাবে প্ৰজ্ঞানন্দাই বিশ্বৰ ১ নম্বৰ খেলুৱৈ জিএম মেগনাছ কাৰ্লচেনক পৰাস্ত কৰিবলৈ সক্ষম হয় ।

# ছিংগাপুৰ অ'পেনৰ প্ৰি-কোৱাৰ্টাৰৰ পৰা বিদায় পি ভি সিন্ধুৰ

ৰঙিলী বাৰ্ত্তাসেৱা- ছিংগাপুৰ অ'পেন ছুপাৰ ৭৫০ বেডমিণ্টনৰ প্ৰি-কোৱাৰ্টাৰত অভিযান সামৰে ভাৰতৰ তাৰকা মহিলা শ্বাটলাৰ পি ভি সিন্ধুৱে। প্ৰতিযোগিতাখনৰ মহিলা শাখাৰ ছিংগলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেল মেচখনত অলিম্পিকত দুবাৰৰ পদকজয়ী পি ভি সিন্ধুৱে কঠিন যুঁজৰ অন্তত স্পেইনৰ প্ৰতিদ্বন্দ্বী কাৰ'লিনা মাৰিনৰ হাতত পৰাজয় স্বীকাৰ কৰে। এঘণ্টা ৮ মিনিট সময় ধৰি চলা মেচখনত বিগত সপ্তাহত থাইলেণ্ড অ'পেনৰ ৰানাৰ্ছআপৰ সন্মান লাভ কৰা পি ভি সিন্ধুৱে বিশ্বৰ তৃতীয় বাছনিৰ মাৰিনৰ হাতত ২১-১৩, ১১-২১, ২০-২২ গেমত পৰাজয় স্বীকাৰ কৰে। আনহাতে বিশ্বৰ দশম বাছনিৰ ভাৰতৰ এইচ এছ প্ৰণয়ে জাপানৰ কেণ্টা নিছিম'টʼৰ হাতত ১৩-২১, ২১-১৪, ১৫-২১ গেমত পৰাস্ত হৈ প্ৰতিযোগিতাখনৰ পৰা বিদায় মাগে।

# ছিংগাপুৰ অ'পেন ছুপাৰ-৭৫০ৰ ছেমিফাইনেল পৰাস্ত তৃষা-গায়ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰতৰ প্ৰতিভাৱান মহিলা ডাবল খেলুৱৈ তৃষা জ'লী আৰু গায়ত্ৰী গোপীচান্দে ছিংগাপুৰ অ'পেন ছুপাৰ-৭৫০ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলা শাখাৰ ডাবলছৰ ছেমিফাইনেলত বিশ্বৰ ৪ নং স্থানৰ যুটি নমি মাটছুয়ামা আৰু চিহাৰু শ্বিডাৰ হাতত পৰাস্ত হয়। তৃষা জ'লী আৰু গায়ত্ৰী গোপীচান্দৰ এই পৰাজয়ৰ লগে লগে ছিংগাপুৰ অ'পেন ছুপাৰ-৭৫০ত ভাৰতৰ অভিযানৰো অন্ত পৰিল। ৪৭ মিনিটৰ মেচখনত ২১-২৩, ১১-২১ গেমত পৰাস্ত হৈ তৃষা আৰু গায়ত্ৰী। ইয়াৰ পূৰ্বে কোৱাৰ্টাৰ ফাইনেল মেচখনত ভাৰতীয় যুটিটোৱে দক্ষিণ কোৰিয়াৰ কিম ছ' য়েং আৰু কং হী য়ং যুটীটোক এঘণ্টা ১৯ মিনিটৰ মেচখনত ১৮-২১, ২১-১৯, ২৪-২২ গেমত পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছিল।

ৰঙিলী বাৰ্ত্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286